# Debates of the Assam Legislative Assembly, 1971

*Budget Session*

Vol. 1, No. 3

The 15th March, 1971

CONTENTS


| | Pages |
|---|---|
| 1. Questions | 1 |
| 2. Report of the Business Advisory Committee | 19 |
| 3. Re : Absence of the Chief Minister | 20 |
| 4. Re : Seating of a Member | 22 |
| 5. Re : Non-fufilment of the demands of the All Copyists' Association | 24 |
| 6. Debate on the Governor's Address | 27 |



REFERENCE
(Not for Issue)
Reading Only Inside Library

Proceedings of the Eleventh Session of the Assam Legislative Assembly Assembled after the fourth General Elections under the Sovereign Democratic Republican Constitution of India

The Assembly met in the Assembly, Chamber Shillong, at 10 A. M. on Manday the 15th March 1971.

PRESENT

Shri Mohi Kanta Das M. A. B. L. Speaker, in the Chair, thirteen Ministers, six Ministers of State, two Deputy Ministers and thirty-eight Members.

STARRED

Questions and Answers

( To which oral replies were given )

Date: 15th March, 1971

নগাওঁ-ন-মাটি-লংকা গড়কাপ্তানী বাস্তা

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে—

* ৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) নগাওঁ জিলাৰ নগাওঁ-ন-মাটি-লংকা ৰোডৰ ২২-২৩ মাইল খুটিৰ মাজৰ পৰা আৰম্ভ হোৱা কালিবাম পথাৰৰ পৰা যমুনামুখ-ডবকা গড়কাপ্তানী ৰাস্তাটো কেতিয়া গড়কাপ্তানী বিভাগে ললে ?

(খ) এই বাস্তাটো গড়কাপ্তানী বিভাগে লোৱাৰ পাছত এতিয়ালৈকে মুঠতে কেইমাইল ৰাস্তাৰ নিৰ্মাণ-কাম শেষ হ'ল ?

(গ) এই ৰাস্তাটোৰ মুঠ দৈৰ্ঘ্য কিমান মাইল আৰু এতিয়ালৈকে নিৰ্মাণ-কাৰ্য্য সমাধা হোৱাৰ পাছত অৱশিষ্ট বাস্তাখিনি কেতিয়া কৰিবলৈ স্থিৰ কৰিছে ?

(ঘ) এই ৰাস্তাটোৰ গুৰুত্বলৈ লক্ষ্য কৰি এই বছৰতে ৰাস্তাটোৰ কাম সমাধা কৰিব পৰাকৈ আৱশ্যকীয় আঁচনি এখন গ্ৰহণ কৰা হবনে ? আৰু যদি এই আঁচনি লয়, তেনেহলে আঁচনিখনতে কিমান খৰচ পৰিব বুলি চৰকাৰে ভাবে ?

গড়কাপ্তানী বিভাগৰ মন্ত্ৰী শ্ৰীআলতাফ হুছেইন মজুমদাৰে উত্তৰ দিছে:

৮। (ক) নগাওঁ জিলাৰ বৰ্ত্তমান নগাওঁ-ন-মাটি-লংকা ৰাস্তাৰ ডবকাৰ ওচৰৰ ২৩ মাইলৰ পৰা আৰম্ভ হোৱা কালিবাম পথাৰৰ পৰা যমুনামুখ-ডবকা গড়কাপ্তানী ৰাস্তাটোৰ এটা অংশ ৪·৮৩ কিঃ মিঃ (৩ মাইল) কাম তৃতীয় পাঁচ-বছৰীয়া পৰিকল্পনাৰ ভিতৰত লোৱা হয়; আৰু সেই কাম ১৯৬৮

চনত শেষ হয়।

(খ)—এই ৰাস্তাটো গড়াকাপ্তানী বিভাগে লোৱাৰ পাছত এতিয়ালৈকে ৪ ৮৩ কিঃ মিঃ (৩ মাইল) বাস্তা সম্পূৰ্ণ কৰা হৈছে।

(গ)—মূল প্ৰস্তাৱ অনুযায়ী এই বাস্তাটোৰ মুঠ দৈৰ্ঘ্য ১১ কিঃ মিঃ (৭ মাইল মান হব) আৰু অৱশিষ্ট প্ৰায় ৬·১৭ কিঃ মিঃ অৰ্থাৎ প্ৰায় ৪ মাইল ৰাস্তাৰ নিৰ্মাণ-কাৰ্য্য বৰ্ত্তমান চলিত ৪ৰ্থ পাঁচ-বছৰীয়া পৰিকল্পনাৰ ভিতৰত লোৱাৰ কাৰণ এম, এল, এ শাখা কমিটিৰ কোনো অনুমোদন পোৱা নাই।

(ঘ)—যিহেতু এম, এল, এ শাখা কমিটিৰ কোনো অনুমোদন পোৱা নাই, গতিকে এই আঁচনি গ্ৰহণ কৰাৰ প্ৰশ্ন নুঠে। যদি এই আঁচনি গ্ৰহণ কৰা হয় তেন্তে ইয়াত প্ৰায় ২,৩৫,০০০ টকাৰ প্ৰয়োজন হব বুলি বিবেচনা কৰা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, এই কথা সঁচানে যে যোৱা নিৰ্ব্বাচনত সেই অঞ্চলৰ ৰাইজে সেই অঞ্চলৰ M. L. A. জনক ভোট নিদিয়াৰ কাৰণেই এই বাকী থকা বাস্তা খণ্ড কৰা হোৱা নাই ?

শ্ৰীআলতাফ হুছেইন মজুমদাৰ—এইটো সত্য নহয় কিয়নো যি বিলাক ৰাস্তা লোৱা হৈছে সেই বিলাক M. L. A. Sub-Committee য়ে decide কৰিছে তাত কংগ্ৰেছ M. L. A ও আছে আৰু Opposition M. L. A. ও আছে। গতিকে এইটো কথা অবান্তৰ।

শ্ৰীসোনেশ্বৰ বৰা—M. L. A Sub-Committee য়ে Recommend কৰিবলৈ M. L. A চাৰ কমিটিক ধৰা হৈছিল যদিও M. L. A. সকলে কৰা নাই। গতিকে চৰকাৰে বাস্তাটোৰ প্ৰতি ব্যৱস্থা লবনে ?

শ্ৰীআলতাফ হুছেইন মজুমদাৰ—M. L. A Sub-Committee এ দিয়া Recommendation অনুসৰিহে আমি কাম কৰোঁ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী—যমুনামুখ সমষ্টিৰ বৰ্ত্তমান যি জন সদস্য তেখেত M. L. A Sub-Committee ত আছে তেখেতে প্ৰত্যেক মাহতে সিদ্ধান্ত বদলি কৰে নেকি এইটো সঁচা জানো।

শ্ৰীআলতাফ হুছেইন মজুমদাৰ—তেখেতে মাহে মাহে বদলি কৰাৰ খবৰ আমাৰ

হাতত নাই ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী—যদি নাজানে তেনেহলে Superintendent Engineer আৰু বোৰ্ডৰ যি বিলাক সভা হৈছে তাৰ Proceedings বিলাক আনি চাবনে ? মাহে মাহে সিদ্ধান্ত বদলি কৰা কথা তেতিয়া কাগজে পত্ৰে পৰীক্ষা কৰি চাব পাৰিব ।

শ্ৰীআলতাফ হুছেইন মজুমদাৰ—কোন ৰাস্তা লোৱা হব লোৱা নহব সেই কথা M. L. A. Sub-Committee য়ে বিবেচনা কৰি দিয়ে আৰু সেইমতে আমি কাম কৰোঁ। বৰ্ত্তমান M. L. A. Sub-Committee ৰ সিদ্ধান্ত আমাৰ হাতত নাই ।

শ্ৰীগিয়াচুদ্দিন আহমেদ—মই কথাটোৰ মূৰ-নেজ একো বুজা নাই । যদিহে তৃতীয় পাঁচ বছৰীয়া পৰিকল্পনাৰ সময় ছোৱাত এই ৰাস্তাৰ কাম হাতত লৈছিল তেনেহলে Plan and Estimate নিশ্চয় কৰিছিল সেইমতে টকা Sanction ও কৰিছিল । এতিয়া সেই টকা খৰিনি খৰছ নকৰি ৰাস্তাৰ কাম আধা কৰাকৈ কিয় এৰিলে ? যদি এৰিলে টকা মঞ্জুৰ কৰাৰ সময়ত Detail Plan and Estimate কৰা হৈছিল নে নাই আৰু সেই মতে টকা মঞ্জুৰ হৈছিলনে নাই ?

শ্ৰীআলতাফ হুছেইন মজুমদাৰ—মাননীয় সদস্যই Confuse কৰিছে । কথা হ'ল—তৃতীয় পাঁচ বছৰীয়া পৰিকল্পনাৰ সময়ত ৩ মাইলৰ কাৰণে টকা মঞ্জুৰ কৰা হৈছিল আৰু সেইমতে তিনি মাইলৰ কামো হৈছে । Further কোনো Length ৰ কাৰণে মঞ্জুৰী হোৱা নাই । যিহেতু M. L. A. Sub-Committee য়ে Select কৰা নাই ।

ডঃ ভূপেন হাজৰিকা—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোঁনে যে M. L. A. Sub-Committee ৰ Recommendation নোহোৱাকৈ P. W. D. ৰাস্তা হৈছে নে নাই ?

শ্ৰীআলতাফ হুছেইন মজুমদাৰ—Generally M. L. A. Sub Committee ৰ মতেহে কৰা হয় ; যদি M. L. A. Sub-Committee ৰ Recommendation নোহোৱাকৈ ক'ৰবাত হৈছে তেন্তে মই চাম ।

ড' ভূপেন হাজৰিকা—হাজো অঞ্চলত বামদিয়া এলেকাত থকা নখেতি গাওঁত ।

আমাৰ মুখ্যমন্ত্ৰীয়ে শ্ৰীসতিশ কাকতিৰ দেউতাকৰ শ্ৰাদ্ধলৈ যাবৰ কাৰণে এই ৰাস্তা তৈয়াৰ কৰিছে নেকি ?

শ্ৰীআলতাফ হুছেইন মজুমদাৰ—মই সেই কথাটো এতিয়া কব নোৱাৰোঁ ।

ড° ভূপেন হাজৰিকা—ইয়াৰ উত্তৰ এই সদনতে বিচাৰিছোঁ ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে তেখেতে কৈছে তৃতীয় পৰিকল্পনাত ৰাস্তাটোৰ তিনি মাইল কাম সম্পূৰ্ণ কৰিছে আৰু চতুৰ্থ পৰিকল্পনাত M. L. A. Sub-Committee ৰ Recommendation নোহোৱা বাবে কাম ল'ব পৰা নাই । চৰকাৰৰ Declared Policy আছে যে তৃতীয় পৰিকল্পনাত আধৰুৱা হৈ থকা কামত প্ৰথমে গুৰুত্ব দিব লাগে তাৰ পিছতহে চতুৰ্থ পৰিকল্পনাত নতুন কাম ল'ব লাগে । এনে অৱস্থাত এই খণ্ড ৰাস্তাৰ কাম সম্পূৰ্ণ কৰাত কিয় গাফিলতি কৰিছে ?

শ্ৰীআলতাফ হুছেইন মজুমদাৰ—তৃতীয় পৰিকল্পনাত লোৱা কাম খিনি আধৰুৱা থকা নাই । সেইখিনি কাম হৈছে । আৰু এইটো Extend কৰা নকৰা কথা M. L. A Sub-Committee য়ে Recommend কৰা নকৰা কথাৰ ওপৰত নিৰ্ভৰ কৰে ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা—প্ৰশ্নটো হৈছে ২ মাইল ৰাস্তা সম্পূৰ্ণ কৰা হৈছে আৰু ২ মাইল অসম্পূৰ্ণ হৈ আছে । এই অসম্পূৰ্ণ ৰাস্তাখিনি Superintendent Engineer, M. L. A. Sub-Committee য়ে তাগিদা দিয়া স্বত্বেও বা recommend কৰা স্বত্বেও চৰকাৰৰ ফালৰ পৰা সম্পূৰ্ণ কৰাত কৃপনালি কৰা হৈছে ।

Mr. Speaker—He has already stated that 3 miles of road has been constructed.

Shri Dulal Chandra Barua— 3 miles have been constructed out of the total length of the project. But we are concerned with the Government's declared policy that spill-over schemes should be given priority in the matter of taking up projects under the 4th Plan. May I,

therefore, know why Government is deviating from their declared policy in this regard ?

শ্ৰীআলতাফ হুছেইন মজুমদাৰ—তৃতীয় পাঁচ বছৰীয়া পৰিকল্পনাত ৰাষ্টাটোৰ তিনি মাইল সম্পূৰ্ণ কৰা হৈছে। তাৰ পিচৰ খিনিৰ কাৰণে প্লেন আৰু এচ্‌টিমেট্‌ বিচৰা হ'ল আৰু খৰচৰ হিচাপ এটাও গড়কাপ্তানি বিভাগৰ পৰা বিচৰা হ'ল আৰু সেই মতে হিচাপ দিলেও। সেই টকাৰে নহয় কাৰণে বাকী ৰখা হ'ল।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা—মোৰ প্ৰশ্ন হ'ল এই গোটেই প্ৰজেক্টটোৰ প্লেন আৰু এচ্‌টিমেট্‌ কৰা হ'ল আৰু সেইমতে তুমাইল সম্পূৰ্ণ কৰা হ'ল। বাকী incomplete ৰাস্তাবিলাক চতুৰ্থ পৰিকল্পনাত সম্পূৰ্ণ কৰিবৰ কাৰণে বিধান সভাত ঘোষণা কৰিলে আৰু M. L. A. Sub Committee য়েও recommend কৰিলে। তথাপি এই ৰাস্তাটোত priority নিদিয়াৰ কাৰণ কি ?

শ্ৰীআলতাফ হুছেইন মজুমদাৰ—তৃতীয় পাঁচ বছৰীয়া পৰিকল্পনাত যিমান length ৰ ৰাস্তা আছে তাৰ কাৰণে Estimate বিছৰা হৈছিল আৰু সেই মতে কিছু কৰাও হৈছে। কিন্তু পিচলৈ টকা নথকাত কিছু কাম অসম্পূৰ্ণ হৈ থাকিল। On principle, incomplete ৰাস্তাত Priority দিব লাগে। আৱশ্যক বিবেচনা কৰি যিমান পৰা যায় কৰা হৈছে।

Re: No-payment of Building Grants to M. E. Schools

Shri Pitsing Konwar asked:

*9. Will the Minister-in-charge of Education be pleased to state—

(a) Whether the Government is aware that the M. E. Schools are not receiving building grants as yet though they have been finally listed for the same ?

(b) What are the reasons for non-payment of the grant earmarked for the listed M. E. Schools ?

(c) Whether Government be pleased to make arrangement for payment of the same at an early date ?

Shri Sarat Chandra Goswami ( Minister of State for Education ) replied :

9. (a) & (b)—There was a proposal to sanction a non-recurring building grant to M. F. Schools in 1969-70 but the proposal could not be finalised and sanctioned during the year.

(c)—It is proposed to sanction a non-recurring building grant to M. E. Schools during the current year.

Shri Pitsing Konwar—Will the Minister be pleased to inform us whether the entire proposal has been materialised or it has been partially materialised ?

Shri Sarat Chandra Goswami—Entire proposal has not been materialised.

Shri Pitsing Konwar—How many schools are receiving such grants ?

Shri Sarat Chandra Goswami—The list is not with me at present.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী—১৯৬৯-৭০ চনত যি বিলাক M. E. স্কুলৰ লিষ্ট M.L.A. সকলে দিছিল আৰু Grant দিয়া হব বুলি কৈছিল কিন্তু দিব পৰা নহ'ল, ইয়াৰ মুখ্য কাৰণ কি মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী—সময় মতে মঞ্জুৰী চুড়ান্তকৰণ নোহোৱাত কাৰ্য্যত পৰিণত কৰিব পৰা নহ'ল আৰু সেয়ে দিব পৰা নহ'ল।

Mr. Speaker—The Minister has stated that the proposal could not be materialised during the last year. Now the hon. Member has challenged this statement and said that some schools had been given grants.

শ্ৰীহীৰালাল পাটোৱাৰী—মন্ত্ৰী মহোদয়ে কৈছে কোনো ঠাইতে এই Grant দিয়া নহ'ল। ইয়াৰ কাৰণ কি ? মন্ত্ৰী মহোদয়ে জনাবনে ব্ৰহ্মপুত্ৰৰ উত্তৰ

পাৰৰ স্কুল বিলাকক কোনো ক্ষেত্ৰতে কিয় Grant আদি দিয়া নহয়?

শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী—কিছুমানক দিয়া আৰু কিছুমানক নিদিয়াকৈ থকা নাই। আঁচনিটো যোৱা বাৰ চুড়ান্তকৰণ কৰিব পৰা নহ'ল কাৰণে কাকো দিয়া নাই। উত্তৰ পাৰ দক্ষিণ পাৰৰ প্ৰশ্ন নাহে।

শ্ৰীহীৰালাল পাটোৱাৰী—মোৰ প্ৰশ্ন হৈছে যে যেনেকৈ ধৰক শিৱসাগৰৰ এখন এম ই স্কুলত ১ লাখ ৪৩ হাজাৰ পায় আৰু Comparison ত উত্তৰ পাৰৰ স্কুল এখনে ১ লাখ কিয় ১ হাজাৰো কিয় নাপায়। মন্ত্ৰী মহোদয়ে সদনক জনাৰনে যদি তথ্য পাতি মন্ত্ৰীৰ হাতত নাই তেনেহলে তদন্ত কৰি পাচত জনাব নে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত কিমান স্কুল আছে আৰু কিমান Grant পাইছে আৰু দক্ষিণ পাৰত কিমান স্কুল আছে আৰু কিমান Grant পাইছে? এই বৈষম্যটো কিয় ৰখা হৈছে জনাবনে?

শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী—সেই তথ্য মোৰ হাতত নাই। M.E. স্কুল কাকো Building Grant দিব পৰা নাই।

শ্ৰীপিটসিং কোঁৱৰ—দিয়া লিষ্ট আছে।

শ্ৰীহীৰালাল পাটোৱাৰী—অধ্যক্ষ মহোদয়, মই Challenge কৰিব পাৰো কিছুমানে পাইছে আৰু কিছুমানে পোৱা নাই। Challenge টো Accept কৰিব নেকি?

শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী—এই প্ৰশ্নৰ সন্দৰ্ভত Challenge কি কাৰণত আহিল ধৰিব পৰা নাই। Grant টো Materialise কৰিব পৰা নাই সেই কাৰণে কাকো দিব পৰা নহ'ল। মাননীয় সদস্য গৰাকীয়ে যদি কোনো এম. ই স্কুলে পোৱা বুলি জনায় তেন্তে বিষয়টো তদন্ত কৰি চোৱা হব।

(গণ্ডগোল)

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী—মাননীয় মন্ত্ৰী মহোদয়ে একাধিক বাব কৈছে যে ১৯৬৯-৭০ চনত যি বিলাক M.E. School ত পইচা দিয়া হৈছিল সেই বিলাক কাৰ্য্যকৰী কৰিব পৰা নহ'ল। এইটো কথা তেনেই অসত্য। কোনোবাই যদি ৪ খন স্কুলৰ গ্ৰাণ্ট বিচাৰিছিল তাবে দুখনক দিছিল। বাকী দুখনক দিয়া নাছিল। কিন্তু তেখেত সকলৰ পাৰ্টিৰ যদি ৬ খনে বিচাৰিছিল ৬ খনেই পাইছিল। মন্ত্ৰী মহোদয়ে এই ধৰণে উত্তৰ দি

সদনক ভুল পথে পৰিচালনা কৰিছে। ইয়াৰ শুদ্ধ উত্তৰ মন্ত্ৰী মহোদয়ে দিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী—Building Grant যদি কোনোবাই পাইছে আমি নাজানো ...............।

ডঃ ভূপেন হাজৰিকা—সদনত মন্ত্ৰী মহোদয়ে অসত্য কথা কৈছে। এটা কথা থিক যে সম্পূৰ্ণ ভাবে নহলেও আংশিক ভাবে হলেও কামত পৰিণত কৰিব পৰা নাই। এইটো প্ৰমাণ হৈছে। ক'ত ক'ত কি হৈছে এই বিলাক মন্ত্ৰী মহোদয়ে আমাক জনাব লাগে।

( উত্তৰ নাই )

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা—আমাৰ প্ৰশ্নটো পৰিষ্কাৰ। এই প্ৰশ্নটোৰ উত্তৰ পাবলৈ বহুত দিনৰ আগতেই জাননী দিয়া হৈছিল। এজন মন্ত্ৰীয়ে কোনো প্ৰশ্নৰ উত্তৰ সদনত দিবলৈ আহিলে সকলো তথ্য-পাতি ভালদৰে জানি আহিব লাগে। যাতে সদনক সত্য তথ্য-পাতি দিব পাৰে। আমি মন্ত্ৰী মহোদয়ৰ মুখত কেৱল সত্যৰ অপলাপ কৰাহে শুনিছো। নীতিগত ভাৱে Inspector of School এ যি বিলাক স্কুলক এনে ধৰণৰ সাহায্য পাবলৈ Recommendation দিছিল সেই বিলাকক ক্ষমতাত অধিষ্ঠিত দলৰ Consultative Committee এ বিৰোধী পক্ষৰ সদস্যৰ অঞ্চল বিলাকৰ স্কুল বিলাকক বঞ্চিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। আজি মন্ত্ৰী মহোদয়ে কৈছে যে আমি খবৰ দিব লাগে। এই কথা কৈ মন্ত্ৰী মহোদয়ে সত্যৰ অপলাপ কৰি সদনৰ বিশেষাধিকাৰ ভঙ্গ কৰিছে। আমাৰ প্ৰশ্নৰ সত্য উত্তৰ দিব লাগে। আমাৰ মাননীয় সদস্য শ্ৰীপাটোৱাৰী ডাঙৰীয়াই এটা কথা কৈ গৈছে যে এনে সাহায্যৰ ক্ষেত্ৰত যথেষ্ট পৰিমানে বৈষম্যই দেখা দিছে। এইদৰে ক্ষেতোক দেখি ৰান্ধো বাঢ়ো ক্ষেতোক দেখি দুৱাৰ বান্ধো। এই নীতি কিয় লব লাগে। এই কথাত আমি দুখ পাইছো। আমি মন্ত্ৰী মহোদয়ক দাবী জনাইছো যে এই প্ৰশ্নটো সম্পূৰ্ণ সত্য তথ্য-পাতি দিব নোৱাৰালৈকে স্থগিত ৰাখিব লাগে।

শ্ৰীবিশ্বদেৱ শৰ্মা (মন্ত্ৰী)—প্ৰশ্নটো আছিল Non-Recurring গ্ৰাণ্টৰ সম্পৰ্কত। যদি তেখেত সকলে লিষ্টখন দিয়ে আমি চাব পাৰো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা– লিষ্ট আমি কেলৈ দিম। আমাৰ অভিযোগ হৈছে মন্ত্ৰী মহোদয়ে যি কথা কৈছে সেইটো তেনেই অসত্য। লিষ্ট আমাৰ হাতত আছে। কিন্তু আপোনালোকক দিয়াটো আমাৰ কৰ্ত্তব্য নহয়। আমাৰ কৰ্ত্তব্য চৰকাৰক খবৰ দিয়া নহয় চৰকাৰৰ পৰা খবৰ লোৱাহে। গতিকে মই দাবী জনাইছো প্ৰশ্নটো স্থগিত ৰাখিব লাগে।

শ্ৰীবিশ্বদেৱ শৰ্মা—চৰকাৰৰ হাতত যি খবৰ আছে সেই মতেহে উত্তৰ দিয়া হৈছে।

Mr. Speaker—Then it will take time to give correct information. The Minister has stated that the proposal could not be executed and materialised during the year 1969-70. This reply has been challenged. It has been alleged for giving incorrect information. The Minister should examine and submit correct information.

Shri Biswadev Sarma—The reply furnished is absolutely correct—nothing is wrong as the Hon'ble members alleged, and let the Minister know what is the wrong.

Shri Dulal Chandra Barua—Then Sir, we have got definite information that this is not correct and the Minister of Industries just now has said that the information is correct is a clear proof of breach of privilege. (Interruption). It is a breach of privilege committed by the Minister of Industries, and Minister of State, Education.

Shri Biswadev Sarma—Let the list be provided.

Shri Hiralal Patwary—The question is very clear. Whether the Government is aware that the M. E. Schools are not receiving building grants though this has been listed for the same. We would like to know whet-

her there is any list.

Mr. Speaker—Distribution of grants to Middle Schools for 1969-70—there are certain schools names here, Akani Lalbahadur Shastri M. E. School, Dhing M E. School, Moren M. E. School etc. etc. and following grants are yet to be distributed. As regards this I call the attention of the Minister to see if he is correctly speaking. (Interruption)

Shri Dulal Chandra Barua—Point of orderi Sir, point of order, by giving, as I have already said, that the Minister has to obtain full information and to submit to the House. The statement given by the Minister to this House is challenged. We have, beyond doubt, Sir, that our statement is correct. Minister-in-charge of Education consulted by the Minister of Industries and misguided the House and it is not correct and by doing so they have Committed breach of privilege of the House. Now, sir, this breach of privilege is committed under Rule 158, and our contention has fulfilled all the conditions of Rules 159, 162, 164 and 166. The House is empowered to punish both the Minister-in-charge of State, Education and Minister-in-charge of Industries without bringing a written complaint. This is my point of order and it is a fit case to be taken as breach of privilege for misguiding the House by giving false information and also by insisting on this falsehood inspite of our repeated request to verify the facts. Therefore, Sir, I want to say that this is clearly a

case of breach of privilege committed by both the Minister-in-charge of State, Education and the Minister in-charge of Industries.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী—অধ্যক্ষ মহোদয়, মই মাননীয় সদস্যসকলৰ দাবী সমৰ্থন কৰিছো এই পৰিপূৰক প্ৰশ্নৰ উত্তৰ মন্ত্ৰীমহোদয়ে যিটো দিছে সি শুদ্ধ নহয়। কেইখন মান স্কুলে পোৱাৰ কথাটো আমিও জানো। সেই সঠিক নোহোৱা খবৰটো সংশোধনৰ কাৰণে চেষ্টা নকৰি বিভাগীয় কৰ্তৃপক্ষৰ পৰা এইটো পোৱা বুলি মাননীয় উদ্যোগ মন্ত্ৰীয়ে সেই খবৰটোকে জোৰেৰে সৈতে কৈছে। তেখেতসকলে যিটো Cha'lenge কৰিছে সেইটো আমি গ্ৰহণ কৰিছো। যদি আমাৰ কথাটো প্ৰমান নহয় তাৰ কাৰণে আমি দায়ী হম আৰু প্ৰমান হলে মন্ত্ৰীমহোদয়ে তাৰ ফল ভোগ কৰিব লাগিব।

শ্ৰীবিশ্বদেৱ শৰ্ম্মা—বিৰোধীদলৰ মাননীয় সদস্য সকলে এটা Point of order ৰ অৱতাৰণা কৰিছে। সেই Point of order অহাৰ কাৰণটো কি দিলে মই এতিয়ালৈকে কব নোৱাৰো। এই প্ৰশ্নটো যদি কিবা ভুল তথ্যই দিছে সেইটো ভুলনে শুদ্ধ সেইটো চাবলৈ মন্ত্ৰীমহোদয়ক এটা সুবিধা দিব লাগিব। ইয়াত যিখন কাগজ দিছে সেইখন যদি ভুল হৈছে তেন্তে সেইখন পৰীক্ষা কৰাৰ সুবিধা আমাকো দিব লাগিব। তাৰ পাছত আপুনি যদি ভাবে যে মন্ত্ৰী ডাঙৰীয়াই কালিলৈ এটা উত্তৰ দিব লাগে তেন্তে আজি যি উত্তৰ দিলে আৰু কালিলৈ যি উত্তৰ দিব তাৰ লগত সামঞ্জস্যতা নাথাকে তেতিয়াহলে আপুনি বিবেচনা কৰি যিটো যুক্তি যুক্ত বুলি ভাৱে সেই ৰকমে ব্যৱস্থা কৰিব।

ড° ভূপেন হাজৰিকা—অধ্যক্ষ মহোদয় মই বিৰোধী পক্ষৰ পৰা এইটো কথা কব খুজিছো--যে শিক্ষা বিভাগত যি টকা গৈছে তাৰ কথা মন্ত্ৰীমহোদয়ৰ অবগত নহয় গতিকে দেখা যায় যে যন্ত্ৰ আৰু মন্ত্ৰীৰ কোনো যোগা-যোগ নাই। গতিকে উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই যি প্ৰশ্নৰ উত্তৰ দিছে সি শুদ্ধ নহয়। অনুগ্ৰহ কৰি ভালকৈ বিচাৰ কৰিলে ভাল হয়।

Shri Giasuddin Ahmed—Sir, the point of order raised by

Mr. Barua is quite in order. I want to refer to Rule 158. It states "A breach of privilege, either of a member of the House or of a Committee thereof, may with the consent of the Speaker be brought to the notice of the House :

(i) By a complaint from a member ;

(ii) By a petition ; or

(iii) By a report from the Committee :

Provided that if the breach is committed in actual view of the House, the House may take action without complaint."

Here Sir, the House has the right to know the truth from the Government. It is proved beyond the least doubt that the hon'ble Minister has submitted a wrong information. This has been proved in actual view of the House. Therefore, in accordance with this proviso the House may take action without complaint. No complaint need be submitted. It comes within the purview of the proviso, that when a breach is committed in actual view of the House the House can take action. What is in actual view ? We sought certain information from the Minister and the Minister deliberately gave certain wrong information and that the information is wrong and misleading is proved by the document submitted to you. So, the Minister has committed a breach of privilege in actual view of the house and the House can take action here and now.

শ্ৰীহীৰালাল পাটোৱাৰী—অধ্যক্ষ মহোদয়, এইটো বিৰোধী দলৰ প্ৰশ্ন

নহয় ই সদনৰ মৰ্য্যদাৰ প্ৰশ্ন। উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই বোধকৰো নিৰ্ব্বাচনৰ Result ত অনুপ্ৰানিত হৈ অধিক সংখ্যক ভোট পোৱাত তেওঁখেতে চিন্তা নকৰাকৈ সেই মন্ত্ৰীজনক সমৰ্থন কৰিছে। মোৰ বিশ্বাস যে তেখেতে এইটো জানে যে প্ৰশ্নটো বৰ Clear। বিশেষ অধিকাৰ ভঙ্গৰ পাৰ্লিয়ামেণ্ট Procedure ৰ যিখিনি Condition সেই সকলো অব্যাহত আছে। আমি কৈছো এইটো হৈছে—তেখেত সকলে কৈছে এইটো হোৱা নাই। পুনৰ কালিলৈ ইয়াৰ উত্তৰ দিব। আমাৰ উদ্যোগ মন্ত্ৰী শৰ্ম্মা ডাঙৰীয়াই জোৰেৰে কৈছে যে এইবিলাক স্কুলে পাইছে কিন্তু আমি কৈছো যে ইয়াৰো কিছুমানে পোৱা নাই আৰু বিচাৰ কৰিলে আৰু ওলাব। এই ক্ষেত্ৰত আপুনি আমাৰ সংৰক্ষক। জনসাধাৰণৰ স্বত্বৰো সংৰক্ষক। কথা হৈছে Government যদি তেখেতসকলে চলাব নোৱাৰে Temporarily আমাক এৰি দিয়ক আমি বিচাৰ কৰি দিম। কথাটো আপুনি তন্ন তন্ন কৰি চাওঁক, আপোনাৰ নিচিনা নেতা—সদায় নিৰ্দ্দলীয়। নিৰ্দ্দলীয় হিচাবে বিচাৰ কৰি আহিছে আজিও কৰক।

Shri Altaf Hussain Mazumdar [ Minister, P.W.D. (R.&D) ]—Sir, I have got a point of order. (interruption) There is certain procedure for bringing about privileges. Rule 159 lays down "a member wishing to make a complaint of a breach of privilege shall give notice in writing to the Secretary before the commencement of the sitting on the day on which it is proposed. If the complaint is founded upon a document to original therefore shall accompany the notice". Therefore, Sir, notice must be given in writing. Whether it is a question of privilege that has to be ascertained. ( interruption )

Mr. Speaker—Let him finish.

Shri Giasuddin Ahmed—He has no right to misinterprete

the rules.

Shri Altaf Hussain Mazumdar—Rule 159 is very clear. ( Voice—it is out of order. See rule 158 ). I am ready. Now, the hon'ble member has referred to certain document and the reply will be given by the Minister. Therefore, for bringing a privilege he should give a notice ( interruptions )

Shri Dulal Chandra Barua—That is to be decided by the Speaker. Again, in rule 161 it is stated, 'Provided that the Speaker may, if he is satisfied about the urgency of the matter, allow a question of 'urgency'. If there is any urgency or not will be decided by the Hon'ble Speaker because at the time of the Question Hour the Minister has no right to misguide the House by giving incorrect information and if it is proved beyond doubt the Minister has provided with incorrect information this is a very urgent matter concerning breach of privilege not only to this side of this House but to the entire House. Again, Rule 162 provides, 'If the Speaker holds the matter proposed to be discussed in order, he shall refer it to the Committee of Privileges for reports within a period to be specified, unless he is of opinion that the matter is such as may be disposed of by the House without reference to the Committee .... .... .... .... 'Therefore, there are two aspects : One is, if the House considers that a breach of privilege has been committed by a Minister or by any member of the House, the House even wit-

hout referring the matter to the Privilege Committee, can take action here on the spot. Here, we could not think that the Minister, Industries and the Minister of State, Education would give us incorrect infomation. Inspite of our insistence to give us correct information they gave us wrong and false information. Therefore, there is no question of bringing any breach of privilege motion through petitions. Here it has fulfilled all the conditions that have to be fulfilled for such a purpose and I do not think there can be any point of order which has been raised by the hon. Minister, P. W. D. By that they are taking an escapist mentality. I think, Sir, we satisfied you with our arguments and the question of committing breach of privilege is established and the House should take up the matter for inflicting punishments on the Ministers for deliberately giving false information to this House.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী—অধ্যক্ষ মহোদয়, ১৫৮ নং নিয়মত এই কথা স্পষ্টকৈ দিয়া আছে, যিটো কথা ইয়াত লিখা আছে যে "পৰন্তু যদিহে সদনৰ দৃষ্টি-গোচৰ কৰা হয়, তেন্তে সদনে কাৰ্য্য হাতত লব পাৰে"। এইটো পৰিষ্কাৰকৈ লিখা আছে। মন্ত্ৰী মহোদয়ক সোধা প্ৰশ্নৰ উত্তৰত তেখেতে কোৱা কথাৰ সত্যাসত্য বিচাৰ কৰি দেখো যে তেখেতে ধাকো দিয়া হোৱা নাই। আৰু আন এজনে কৈছে যে সদস্য সকলে কোৱা কথা সত্য নহয়। মন্ত্ৰীয়ে কোৱা কথাহে সত্য। দৰ্কাৰ হলে Breach of Privilege অহাটোত ভয় নকৰি তেখেতে Challenge কৰিছে। গতিকে আপুনি বিবেচনা কৰি এতিয়াই ৰায় দিব লাগে।

শ্ৰীবিশ্বদেৱ শৰ্মা (মন্ত্ৰী)—ছাৰ, বিৰোধী পক্ষৰ সদস্য গৰাকীয়ে List এখন দিছে; যি খন List আমি চাবলৈ নোপোৱাকৈ, চকুৰে নেদেখাকৈ কেনেকৈ সিদ্ধান্ত কৰোঁ।

(গণ্ডগোল)

যদি এনেকুৱা কথাই হয়, তেন্তে যি কোনো এজন মানুহে সদনত List এখন দাখিল কৰিলে তাৰ ওপৰত ভিত্তি কৰিয়েই যি কোনো ৰায় দিবনে ?

শ্ৰীহুলাল চন্দ্ৰ বৰুৱা - আমাক যি কোনো মানুহ বুলি কিয় কব ? আমাৰ মৰ্য্যদা নাই নেকি ? তেখেতে এইটো Withdraw কৰক ; যি কোনো মানুহ বুলি কোৱাটো ভুল হৈছে আৰু Un-parliamentary হৈছে। গতিকে এইটো Withdraw কৰিবই লাগিব।

শ্ৰীবিশ্বদেৱ শৰ্মা – 'উইথড্ৰ' কৰিছোঁ বাৰু। যি কোনো মানুহ নহয়, যি কোনো সদস্য।

Mr. Speaker—Now you will find that there are three or four M. E. Schools, others are High Schools and I have to satisfy myself whether exactly these M. E. Schools received the grants.

Re : Gorden Higher Secondary School

Shri Prabhat Narayan Choudhury asked :

*10. Will the Minister-in-charge of Education be pleased to state—

(a) Whether Government is aware of the difficulty of Government Gorden Higher Secondary School in running classes, the class-rooms being at present not only unsuitable but also risky for the purpose ?

(b) Whether the Government is also aware that for want of fencing of the school compound the school compound is used by pedastrians and cyclists for passing through ?

(c) Whether the Government received long term proposal for planned reconstruction of the school building and for providing a permanent fencing ?

(d) If so, at what stage the matter remains ?

(e) Whether the State Minister of Education on request, made an un-scheduled and sudden visit to the school ?

(f) When the special repairs of class rooms and provision of fencing will be done to enable to run the classes ?

Shri Sarat Chandra Goswami (Minister of State for Education) replied :

10. (a)—Yes. The condition of the school buildings is not satisfactory.

(b)—Yes.

(c) & (d)—No proposal for reconstruction of the school building has yet been received. The P. W. D. has been requested to prepare plans and estimates. As for repairing of the school building, a sum of Rs. 10,000 has been sanctioned during this year to carry out some urgent and immediate repairing works.

(e)—Yes. The M. S. E. had been to the School premises and saw the condition of the school building.

(f)—Repair of the school buildings including the class rooms are being taken up from the amount of Rs. 10,000 sanctioned for the purpose. As for the fencing, P.W.D. has been requested to prepare plans and estimates for inclusion of the schemes in the Normal P.W.D. Budget Department.

Shri Prabhat Narayan Choudhury—Sir, the Public Works Department does not take up any school building unless it is constructed according to P. W. D. standard. The Minister has replied that he has called for Plans

and estimates from the Public Works Department. May I know what sort of building—whether there is any type plans for building of Government Schools? If so, what is that type for which plans and estimates have been called for?

Shri Sarat Chandra Goswami—Sir, the details are not with me now. I shall supply with the information later.

Shri Parbhat Narayan Choudhury—When the plans and and estimates were called for from the P. W. D.?

Shri Sarat Chandra Goswami—This information also is not with me now, I shall supply this information to the hon. Member later on.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী—ছাৰ, প্ৰশ্নোত্তৰ (E) ত মন্ত্ৰী মহোদয়ে হয় বুলি কৈছে; কিন্তু তেখেতে কাৰ অনুৰোধত এনেকৈ আশ্চৰ্য্যজনক ভাবে পৰিদৰ্শন কৰিছিল ? এইটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে আগতে নজনাকৈ কাৰ অনুৰোধত আশ্চৰ্য্যজনক ভাবে স্কুল পৰিদৰ্শন কৰিছিল ?

শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী—মই যেতিয়া নলবাৰীলৈ বুলি গৈছিলোঁ, তেতিয়া মাননীয় সদস্য শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰীয়ে মোক লগ ধৰিছিল আৰু তেখেতৰ লগত গৈ তাত সোমাইছিলোঁ।

(স্বৰ—অ' প্ৰশ্নবাবকে নেকি ? তেখেতে নিজেই যদি ইয়াত কিয় প্ৰশ্ন কৰিছে ?)

শ্ৰী এম. এ. মুছাৰিব চৌধুৰী—কিছুমান স্কুল পৰিদৰ্শন কৰিবৰ কাৰণে অনুৰোধ কৰা স্বত্তেও মন্ত্ৰী গৰাকীয়ে সেই স্কুল পৰিদৰ্শন কৰিবলৈ প্ৰত্যাখান কৰিছে নে ?

শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী—কোনোৱা সদস্যই অনুৰোধ কৰিলে চেষ্টা কৰি চোৱা হয়।

Shri Prabhat Narayan Choudhury—Sir, will the Minister in charge of Education be pleased to enquire whether

the building of the schools has been proposed to be constructed according to the typed plans for which it will be necessary to prepare plan and estimate ? And whether the site for the hostel has been selected in consultation with the public leader ?

Shri Sarat Chandra Goswami—Yes.

লক্ষীমপুৰ জিলাৰ ভিতৰত বন বিভাগৰ সংমণ্ডল

শ্ৰীভদ্ৰকান্ত গগৈয়ে সুধিছে—

*১১। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) লক্ষীমপুৰ জিলাৰ ভিতৰত বন বিভাগৰ কেইটা সংমণ্ডল Division আছে ?

(খ) উক্ত বন-সংমণ্ডলবিলাক পৰিচালনা কাৰ, মুৰব্বীজন কোন আৰু তেওঁলোক কোন সংমণ্ডলত আছে ?

(গ)লক্ষীমপুৰ জিলাৰ ভিতৰত তেওঁলোক কেতিয়াৰ পৰা আছে (তাৰিখ সহ)?

বন বিভাগৰ মন্ত্ৰী শ্ৰীবণেন্দ্ৰ নাথ বসুমতাৰীয়ে উত্তৰ দিছে—

১১। (ক)—দুটা, যেনে ডিব্ৰুগড় বন-সংমণ্ডল আৰু ডিগবৈ বন-সংমণ্ডল ।

(খ)—উক্ত বন-সংমণ্ডল দুটা সেই সেই বন-সংমণ্ডল বিষয়া শ্ৰীললিত কুমাৰ হাজৰিকা আৰু শ্ৰীতুলসীৰাম মহন্তই যথাক্ৰমে পৰিচালনা কৰে আৰু তেওঁলোক যথাক্ৰমে উক্ত বন-সংমণ্ডলৰ প্ৰধান কাৰ্য্যালয় ডিব্ৰুগড় আৰু ডিগবৈত থাকে ।

(গ)—ডিব্ৰুগড়ৰ বন-সংমণ্ডল বিষয়া শ্ৰীহাজৰিকা আৰু ডিগবৈৰ বন সংমণ্ডল বিষয়া শ্ৰীমহন্ত যথাক্ৰমে ২ জুলাই ১৯৬৮ আৰু ৪ জানুৱাৰী ১৯৬৬ তাৰিখৰ পৰা সেই বন-সংমণ্ডলত আছে ।

Mr. Speaker—Order. order. The Question Hour is over. As assured in the House on 9th March 1971, I convened a meeting of the Business Advisory Committee which met at 12·30 P. M. on the 10th March, 1971

The following changes in the Calender for the meeting of the Budget Session of the Assam Legislative Assembly 1971 were recommended by the Business Advisory Committee which met on the 5th March 1971—

1. On 12th April there will be no sitting of the House.
2. The Assembly will reassemble after the Bihu on the 26th April instead of on the 21st April 1971,
3. On the 17th March instead of the business fixed already the Government Resolution for raising the loan by the State Electricity Board will be taken up.
4. To accommodate the business fixed for the other days by adjustment, the House will stand extended till 22nd May 1971.

I hope this has the approval of the House.

( Voice—Yes, Yes )

Shri Dulal Chandra Barua—Mr. Speaker, Sir, I would like to draw your attention to one important point. Sir. we have received communication from the Chief Minister that in his absence Shri Kamakhya Prasad Tripathi, Finance Minister will act as the Leader of House. But we find that Shri Kamakhya Prasad Tripathi, Finance Minister is not here. I want to know who is authorised to attend the business of the Chief Minister on his behalf ?

Mr. Speaker—I have received a telegram from Shri Kamakhya Prasad Tripathi which reads as follows—

"EXCUSE ABSENCE MONDAY AS HELD UP DELHI PLANE STRIKE STOP TRYING TO COME BACK BY ALTERNATIVE ARRANGEMENT"

Shri Tripathi, Finance Minister has informed me that due to dislocation in air communication he has been held up at Delhi. He is due here only on the Monday afternoon i. e. today. All the business in the name of the Chief Minister will be attended by Shri B. Sarma, Minister, Industries Assam in addition to the business of the Finance Minister during his absence.

Shri Dulal Chandra Barua—May I know, who has written this ? and the date on which it was written ?

On 13th March, 1971, the Chief Minister has written that on his behalf all his business in the Assembly would be attended to by Shri K. P. Tripathi. Finance Minister during his absence.

Shri Dulal Chandra Barua—From where he has written ?

Mr. Speaker—From Delhi he has written. (Interruption)

(Voice—How can it come ?)

Shri Dulal Chandra Barua—Sir, in absence of Shri Tripathi, somebody must act as the Leader of the House. Now, Sir, you have just said that Shri B. Sarma was authorised to act on behalf of Shri Tripathi. We want to know how this intimation has come ?

Shri Debeswar Sarmah—Who is the signatory ?

Shri Dulal Chandra Barua—We cannot accept it. How Shri Tripathi's letter can come so early ? This should be clarified.

( Interruption )

Mr. Speaker—From Barjhar Airport, the Chief Minister has writter on 13.3.71.

"Shri K.P. Tripathi, Finance Minister not been able to come from Delhi today due to sudden and complete lock-out of air services throughout the country. He is arriving on Monday, the 15th March 1971 and is expected to attend the Assembly business in the afternoon that day. All the business in the name of the Chief Minister will be attended by Shri B. Sarma, Minister, Industries Assam in addition to the business of Finance Minister during absence. This may kindly be excused."

(Shri Nakul Chandra Das and Shri Dulal Chandra Barua were on their feet)

Mr. Speaker—On 13th March he informed that Shi K. P. Tripathi, Minister Finance will be looking after his things during his absence. Thereafter it has been informed that as he may not be able to come, Shri B. D. Sarma, Minister Industries will be looking after····

Shri Dulal Chandra Barua—We have no knowledge of these things.

Mr. Speaker—Therefore, I am announcing it.

Re : Seating of a Member.

Shri Govinda Kalita—Sir, মোৰ এটা Clearification আছে, মই এটা কথা জানিবলৈ বিচাৰিছো সেইটো হ'ল আমাৰ মাননীয় সদস্য শ্ৰীদেৱেশ্বৰ শৰ্মা ডাঙৰীয়া Ruling Congress ৰ মেম্বৰ নহয় তথাপিও তেখেতক Front seat ত ঠাই দিয়াৰ কাৰণ কি ? তেখেতে নিজেই

১৯-১২-৭০ তাৰিখৰ Assam Tribune ত এখন চিঠি লিখিছে তাত কৈছে....

"At page 6, column 4 of your paper of December 11 last, my name appears under the caption "Assam Assembly" as Shri Debeswar Sarmah (Congress—R). But I do not belong to Congress (R) as I have no faith in the Indicate. I made a statement on the floor of the Assembly to this effect during last November session, Yours etc., Debeswar Sarmah. Jorhat."

এতিয়া এই ক্ষেত্ৰত তেখেতে কোৱা উচিত হব যে Treasury Bench টো Govt. য়ে চলাইছে নে এতিয়া Coalition Govt. য়ে চলাইছে সেইটো আমি জানিব বিচাৰিছো।

Mr. Speaker—This Information has not been conveyed to the Assembly by anybody and he has occupied the seat already allotted to him. I have no intention to Change. Generally when a member intimates us, we accommodate him but in this case I have no such information.

শ্ৰীদেবেশ্বৰ শৰ্মা—অধ্যক্ষ মহোদয়, মাননীয় সদস্যই যিহেতু মোৰ নামটো উচ্চাৰণ কৰিছে সেইবাবে মোকো একাষাৰ কবলৈ দিলে ভাল পাম। আমাৰ গাৱঁৰ নাম ঘৰত কেতিয়াবা দেখা যায় কোনে লাই খুটাৰ ওচৰত বহিব, কোনে পাটী ধাৰিত বহিব, কোনে চটাই ধাৰিত বহিব—কোনে চকু লব, কোনে মলা লব এই বিষয়ে বাদ বিবাদ হয়। কিন্তু মই ভবা নাছিলো যে, আমাৰ সদনতো এনে প্ৰশ্ন ওলাব। সদনৰ সদস্য হিচাবে মোক বহিবলৈ চুক এটাত দিলেও মোৰ আপত্তি নাই। কিয়নো মাননীয় সদস্যই জানে যে, এই নিঃকিন এদিন এই সদনৰে স্পীকাৰ আছিল। সিদিনাখনো মই ইচ্ছা কৰাহেঁতেন ইয়াত নবহি অন্য ঠাইত বহিব পৰা গলহেঁতেন। মই কংগ্ৰেছৰ টিকেটত নিৰ্বাচিত হৈ ইয়ালৈ আহিছো।

(স্বৰ—কোন কংগ্ৰেছ ?)

মই যেতিয়া নির্বাচিত হৈ আহিছিল তেতিয়া কংগ্রেছ মাত্র এখনেই আছিল। মই কেতিয়াও দল সলোৱা নাই মই যি কংগ্রেছত সোমাইছো এতিয়াও সেই একে কংগ্রেছতে আছো। মই কংগ্রেছ পৰিত্যাগ কৰা নাই। তেখেঁতে এই প্রশ্ন কিয় কৰিছে মই কব নোৱাৰো। এতিয়া A,B,C, D ৰ পৰা Z লৈকে কংগ্রেছৰ ভাগ হব পাৰে তাত মোৰ একো ক'বলৈ নাই। কিন্তু যি ঐক্যবদ্ধ কংগ্রেছত মই নির্বাচিত হৈ আহিছিলো এতিয়াও সেই একে কংগ্রেছতে আছো। দল সলাবলৈ মোৰ বয়স আৰু প্রবৃত্তিও নাই।

(হাঁহি)

শ্রীহীৰালাল পাটোৱাৰী—অধ্যক্ষ মহোদয় এতিয়া গভর্ণৰৰ ভাষণৰ ওপৰত বিতর্ক আছিল।

Re : Non fulfilment of the demands of the All Assam Coepyists' Association.

Shri Dulal Chandra Barua—Mr. Speaker Sir, the matter which I want to raise under rule 301 of the Rules of Procedure and Conduct of business in the Assam Legislative Assembly is a very urgent matter concerning about the grievances and demands of the section of the employees serving in diffeaent places of Assam. Most probably you have also received from All Assam Copyists' Association a petition where they have mentioned very clearly about their grievances. This was discussed many times in this august House and also brought to the notice of the Govt. to to know about the locustandy of the employees serving in different district and subdivisional Courts in Assam. In the last Pay Committee though the Association had submitted

memorandum through their association praying for giving them all the facilities enjoyed by other Grade III employees of the State—nothing so far been done in this regard. I have been told that the Pay Committee has asked the Govt. to submit a memorandum to this effect so that they can determine the stand of these employees—but even then the Govt. remained silent and due to this lapse the Pay Committee could not come to any conclusion about the future and prospects of these employees. In this connection Sir, as far as I know the Association had submitted memorandum after memorandum for looking after their grievances but nothing so far been done. Finding no other alternative, though it is painful, they have submitted an ultimatum to the Govt. that if their grievances are not taken into consideration on or before 17th March, 1971 they will go for hunger strike in front of the Assembly Chamber. Sir, when we are in session it is our bounden duty to intervene in the matter and try to find out a solution so that we can avert the crisis. Sir, it is known that unless the employees demonstrate our Govt. do not come to any agreement. The number of these employees are very limited. It may be 100, 150 or at best 200. I do not understand why the Govt. is not coming forward to give them some benefit. What will be the financial implication to give these employees all the benefits the Grade III employees are enjoying ? Not only that the employees have

complained that if a man takes leave or if a man fails to serve up to the whims of the boss he is sacked and a new man is taken in. There is no security of service. Therefore, Sir, I want to know from the Govt. what is the difficulty of the Govt. to treat them as Grade III Govt. employees ? After all Govt. is expert in spending money or rather wasting the public money even by increasing the number of Ministers. Why they should not be able to give benefit to these people ? I want to know from Govt. clearly about it. When the question of down trodden people comes up before the Govt. they try to ignore it on some technical points. Therefore, I consider that all the grievances are quite genuine and I remember that the Finance Minister once committed in this House that the Government would increase the remuneration of these employees though they may not be taken to the Government servant immediately. But unfortunately neither their remuneration has been increased nor have they been taken to the Government service. I hope that our young Minister-in-charge of Registration will take the case of these employees into consideration and will try to remove their grievances, and I hope that the Government will immediately take a decision in this matter so that the situation that is going to be created on the 18th by resorting to hunger strike by the employees in front of the Assembly is averted.

with this end in view I have drawn the attention of the Minister-in-charge of Registration and I hope he will meet the deputationists who are here and find out a solution and he will give a declaration about the action Government proposes to take in this matter either to-day or tomorrow so that the situation that is going to be created might be avoided.

Shri Biswadev Sarma (Minister, Industries)—Sir, I quite appreciate the anxiety of the hon. member with regard to the problems of the copyists. Sir, I happen tokn ow the problems of the copyists myself but unfortunately all the informations are not available with me now. I shall try to get all the information as possible and make a statement in this House either to-day or tomorrow, and as suggested, I would also like to meet the deputationists and discuss with them their problems.

## Debate on the Governor's Address

* Shri Hiralal Patwary—মাননীয় অধ্যক্ষ মহোদয়, সিদিনা শ্ৰীকৃষ্ণক এজন গৰখীয়া হিচাপে গণ্য কৰা হৈছিল। তেখেতক গৰখীয়া হিচাবে এই কাৰণেই গণ্য কৰা হৈছিল যে তেখেত এজন গৰখীয়া আছিল। কিন্তু যি দিনাই তেখেতৰ দৃষ্টিভঙ্গী ভগৱানৰ ৰূপত প্ৰকাশ পালে সেই দিনাই আমি তেখেতক ভগৱান বুলি মানি ললো। তেখেতক ধ্যান কৰিবলৈ ধৰিলো। কিন্তু আমি তেখেতক ভগৱান বুলি ধৰি ললো কিয়? তেখেতৰ যি বিলাক আঁচনি আছিল সেই সকলো বিলাক কি ৰাজনীতি, কি সমাজনীতি, কি অৰ্থনীতি সকলো বিলাকেই সাম্যবাদী আছিল। তেখেতৰ সাম্যবাদ নীতি গোটেই পৃথিৱীতে জনপ্ৰিয় হৈ উঠিছে। ইংলেণ্ডত শ্ৰীকৃষ্ণৰ ভক্তি প্ৰচাৰৰ কাৰণে কমিটি গঠিত হৈছে। আমেৰিকা, ৰাচিয়া

* Speech not corrected.

আদি উন্নত ধৰণৰ দেশ বিলাকটো এই কৃষ্ণ ভক্তিৰ প্ৰতি আপ্লুট হৈ উঠিছে। জনসাধাৰণৰ সকলো প্ৰকাৰৰ অভাব অভিযোগ পূৰণৰ কাৰণেই এই 'সাম্যবাদ' শব্দটো ব্যৱহাৰ কৰা হৈছে। সাম্যবাদ শব্দটোৰ অৰ্থ হৈছে সমান। কিন্তু এই সাম্যবাদ শব্দটোৰ বাহিৰে আজি জনসাধাৰণে একো পোৱা নাই। এইটো অতীতত হৈ আহিছে আৰু হৈয়ো থাকিব। কিন্তু এতিয়া মোৰ প্ৰশ্ন হৈছে যে সমানৰ ওপৰত ভিত্তি কৰি ভাৰতবৰ্ষৰ সামাজিক জীৱনত সাম্যবাদ, ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক জীৱনত জানো এই সাম্যবাদৰ প্ৰভাৱ পৰিছে? অসমৰ ৰাস্তা-ঘাট, স্কুল-কলেজ আদিত জানো সাম্যবাদৰ প্ৰভাৱ পৰিছে? আমি যোৱা ২৩ বছৰে আমাৰ সমস্যা বিলাক ঠিক যেনেকৈ দৰকাৰ আমি তেনেকৈ আলোচনা কৰি আহিছো। মোৰ বিশ্বাস এই বিলাক মাত্ৰ আলোচনাহে কৰা হৈছে। কামত একো অহা নাই। মাত্ৰ সাম্যবাদৰ ভিত্তিত বিশ্বাস আনিবৰ কাৰণে বিভিন্ন সম্প্ৰদায়ৰ মাজত আঁচনি গ্ৰহণ কৰা হৈছিল ১৯৪৭ চনৰ পাচত। যোৱা ২৩ বছৰ কাল ধৰি আমি যি বিশ্বাস কৰি আহিছিলো এই ২৩ বছৰ কালৰ ভিতৰত আমাৰ বিশ্বাসৰ মূৰত কুঠাৰ-ঘাট কৰি, আমাক বিশ্বাসঘাটকতা কৰি আহিছে বুলিহে আমাৰ অনুমান হৈছে। ইয়াৰ পৰিণাম কি হব সেইটো আজিয়েই কোৱা টান। পশ্চিম বঙ্গত আজি কি হৈছে তাৰ নজনা কোনো নাই। আমাৰ ওচৰ চুবুৰীয়া ৰাজ্য পশ্চিমবঙ্গত যি নাটক আৰম্ভ হৈছে তাৰ যৱনীকা ক'ত পৰিব কোনে কব পাৰে। স্কুল-কলেজৰ ল'ৰাক ধৰি হত্যা কৰিছে, ব্যৱসায়ীক হত্যা কৰিছে, চাকৰিয়াল, বিষয়া, ৰাজনৈতিক নেতা কোনো সাৰি যাব পৰা নাই। তাত কেৱল হিংসাৰ নাটকহে চলিছে। কলৈ গ'ল বৌদ্ধদেৱৰ অহিংসা মন্ত্ৰ, কলৈ গ'ল শ্ৰীকৃষ্ণৰ সাম্যবাদ? তাত কেৱল চলিছে হিংসা। মানুহে মানুহক হত্যা কৰিবলৈ পিচ পৰা নাই, কুণ্ঠাবোধ কৰা নাই। আজি শিক্ষামন্ত্ৰীয়ে যিটো কথা ক'লে সিয়েই আমাৰ জনসাধাৰণৰ মনত ভীষণ আতঙ্কৰ সৃষ্টি কৰিছে।

Shri Biswadev Sarma—তেখেতৰ কথাটো বিবেচনাধীন হৈ আছে।

এই আতঙ্ক শিক্ষাৰ ক্ষেত্ৰত হৈছে, উদ্যোগৰ ক্ষেত্ৰত হৈছে, ৰাস্তাৰ ক্ষেত্ৰত হৈছে—এদিন যে সকলো বিলাক ক্ষেত্ৰতে আতংকৰ সৃষ্টি নহব

তাক ন দি কোনে কব পাবে। আজি উদ্যোগব ক্ষেত্ৰত যি মালিকি স্বত্ব চলিছে, মাটিৰ ক্ষেত্ৰত যি মালিকি স্বত্ব চলিছে সেই বিলাকে এদিন ভীষণ ৰূপ ধাৰণ নকৰিব যে তাৰ মানে নাই। আজি অসমৰ সকলো বিলাক সম্প্ৰদায়ৰ মাজত তেওঁলোক যে পিচ পৰি আছে এই ভাব উদয় হৈয়ে আহোম, টাই, মঙ্গোলীয় পৰিষদ গঠিত হৈছে। গোৱালপাৰাত কোচ, কমতা ৰাজ্যৰ দাবী আহিছে। সকলোৱেই আজি ভাবিবলৈ বাধ্য হৈছে যে তেওঁলোক পিচ পৰি আছে। তেওঁলোকে ভাবিছে যে তেওঁলোকেই অসমৰ আদিম অধিবাসী। তেওঁলোকক অধিকাৰ প্ৰথমে দিব লাগে। কোনে তেওঁলোকক বঞ্চিত কৰিছে। তেওঁলোক যদি Backward তেন্তে Forward কোন ?

শ্ৰীহীৰালাল পাটোৱাৰী—দ্বিতীয় কথা হৈছে তেওঁলোকে কিছুমান দাবী উত্থাপন কৰিছে আৰু কৈছে সেইবোৰ পূৰণ নহলে পৃথক হৈ যাব। মোৰ বিশ্বাস তেওঁলোকৰ পৃথক হোৱাৰ ইচ্ছা নাই—মাত্ৰ তেওঁলোকৰ সমস্যা সমূহৰ সমাধানহে বিচাৰিছে আৰু সেয়ে নোহোৱা বাবেই পৃথক হোৱাৰ ভাবুকি দিছে। কিছুদিনৰ পৰা ক্ষত্ৰিয়, ৰাজবংশী, আহোম-টাই সকলে কিছুমান সমস্যাৰ সমাধান বিচাৰিছে। কিন্তু দুখৰ কথা তেওঁলোকৰ সমস্যাৰ কোনো উল্লেখ ৰাজ্যপালৰ ভাষণত নাই। শ্ৰীফখৰুদ্দিন আহমেদক ১৯৬২ চনত মন্ত্ৰী লৈ মুছলমান সকলৰ ওপৰত অত্যাচাৰ চলাইছিল আৰু শ্ৰীত্ৰিপাঠীক বিত্ত মন্ত্ৰীৰ ভাৰ দি তেওঁৰ সম্প্ৰদায়ৰ ওপৰত যি অত্যাচাৰ চলাইছিল সেইটো সকলোৱে জানে। আজি কোকৰাঝাৰ সমষ্টিত পি·টি-চি প্ৰাৰ্থী দিছিল। তেওঁক সকলোৱে প্ৰশ্ন কৰিছিল পি-টি-চিক ভোট দিলে ট্ৰাইবেলৰ সমস্যা সমাধান কৰিব পাৰিবনে ? আজি ৰাজবংশীৰ ক্ষেত্ৰত যি অনুসূচীত জাতিৰ ক্ষেত্ৰতো একেই প্ৰশ্ন। যদি মানুহবিলাকে Protection নেপায় তেনেহলে কেনেকৈ বিশ্বাস কৰে ?

আজি দেশত যদি কোনোবাই শাসন কৰিছে, সেইটো কেৱল কংগ্ৰেছ পাৰ্টিয়েও কৰিছে। অন্য পাৰ্টিয়ে কৰিছে যদিও তাক শাসন কৰিছে বুলি কব নোৱাৰি। কিন্তু এই কংগ্ৰেছেও আজি চাহ বাগিছাৰ বনুৱা সকলক কি ব্যৱহাৰ কৰিছে ? বাগিছাৰ পৰা ওলাই গলেই তেওঁলোকৰ স্থায়ীত্ব নাই।

মঙলদৈত এখন বাগিছাৰ পৰা ৬ হাজাৰ বনুৱা বায়পুৰলৈ গুচি যাব লগা হ'ল স্থায়ীত্ব নোহোৱাৰ বাবেই। আজি বাগিছাৰ বনুৱা সকলৰ ৰাজনৈতিক চেতনা জাগি উঠিছে।

( সময়ৰ সংকেত বাজে )

সময়ৰ জ্ঞান আমাৰ আছে। গতিকে আজিৰ প্ৰশ্ন হৈছে যে যি সকলে কংগ্ৰেছক অভিভাৱক বুলি ভাবিছিল আজি তেওঁলোকে নিজকে কংগ্ৰেছৰ দাস বুলিহে ভাবিছে বা ভাবিবলৈ বাধ্য কৰিছে। অশান্তিৰ সুবিধা লৈ দেশদ্ৰোহী শক্তিয়ে যদি সুবিধা লয় তেনেহলে পৰিণাম কি হব সকলোৱে অনুমান কৰিব পাৰে। আজি পশ্চিমবঙ্গলৈ চালেই হব। পৰিণাম ভয়াবহ হব। মই মাননীয় যোগান মন্ত্ৰীৰ পৰা জানিব পাৰোনে চৰকাৰে হলাৰ লাইচেঞ্চ দিয়া ক্ষেত্ৰত কি নীতি গ্ৰহণ কৰিছে? এই বিষয়ত জনজাতি লোকে এৰো সুবিধা পোৱা নাই। প্ৰায় কুৰি জন মানুহে হলাৰ চলায় আছে, কিন্তু তেওঁলোকৰ এজনেও লাইচেঞ্চ নেপালে। শ্ৰীধনী কছাৰী, শ্ৰীউপেন বৰা আদিৰ হলাৰ আছে কিন্তু লাইচেঞ্চ নাই। শিক্ষাৰ ক্ষেত্ৰতো একেই হৈছে। তেওঁলোকে ভাবে যে তেওঁলোক যেন চৰকাৰৰ দয়াৰ পাত্ৰহে। আজি গুৱাহাটীৰ পৰা ৰাজনৈতিক নেতৃত্ব চলিছে। সেই কাৰণে গাঁৱে ভূঁয়ে কি অৱস্থা হৈছে একো নেজানে। চৰকাৰে ২০ ঘৰ মানুহৰ কাৰণে এজন অফিচাৰ ৰাখিছে অৰ্থাৎ ২০ ঘৰ মানুহে এজন অফিচাৰ পুহিছে তথাপি জনসাধাৰণৰ প্ৰতি তেওঁলোকৰ ভাল ভাব নাই।

আজি চৰকাৰে যি ভুল ছবি দেখুৱাব খুজিছে এইটো আমি কেতিয়াও মানি লব নোৱাৰো। আজি চৰকাৰে যি কৰ্মচাৰী ৰাখিছে তাকো বঞ্চিত কৰিছে। এতিয়া আমাৰ চৰকাৰে গাওঁমুখী পৰিকল্পনা কৰিছেনে? নাই কৰা। আজি সমাজবাদী সমাজ নামধাৰী চৰকাৰৰ দিনত আমাৰ দেশত ভিক্ষুকৰ দলদোপ হেন্দোলদোপ হৈছে। আজি ভিক্ষা বৃত্তি বন্ধ কৰিবৰ কাৰণে সকলো ৰাজ্যতে নিয়ম আছেই। কিন্তু আমাৰ দেশত সেই নিয়মৰ ব্যৱহাৰ কৰা নাই। আজি এজনে ৰাইজৰ ভোট লৈ মন্ত্ৰী হব আৰু আনজন ভিক্ষুক হব। আজি চৰকাৰে মানসিক দৈহিক দুয়ো

ফালৰ পৰাই ৰাইজক ভিক্ষুক কৰিছে। সেইকাৰণে অধ্যক্ষ মহোদয় মই কব বিচাৰিছোঁ যে, ৰাজ্যপালৰ ভাষণটো Cabinet তেহে যুগুত কৰিছে। ইয়াত বহুত কথা উল্লেখেই নকৰিলে। ধান সংগ্ৰহৰ ক্ষেত্ৰতো এই চৰকাৰ কৃতকাৰ্য্য হব পৰা নাই। আজি পৰ্য্যন্ত চৰকাৰে ধানৰ দাম বান্ধি দিব পৰা নাই। ধান চৰকাৰে কিনিছে কিন্তু বিক্ৰী কৰিবৰ কাৰণে কোনো দাম বান্ধি দিব পৰা নাই। আজি যি সময়ত মঙ্গলদৈত ১৪ টকা দামত ধান বিক্ৰী হৈছে সেই সময়তে কামৰূপত ২৮ টকা মোনে বিক্ৰী হৈছে। সেই কাৰণে মই যোগান মন্ত্ৰী মহোদয়ক কাতৰ ভাৱে অনুৰোধ কৰো যাতে এনে ধৰণৰ অসামঞ্জস্য আৰু নহয়। কিয়নো মঙ্গলদৈ আৰু গুৱাহাটীৰ মাত্ৰ সীমাটোহে বেলেগ। ধান বিলাক Apex এই কিনক বা F. C. I. এই কিনক এই ভাৰসাম্য ৰক্ষা কৰা দৰকাৰ। আজি দৰঙৰ লোকসকলক সৰল ভাবি চৰকাৰে দমন নীতিৰে ধান সংগ্ৰহ কৰিছে। আজি দৰঙত মাত্ৰ তিনি লক্ষ কুইণ্টেল ধান দিছে, আনহাতে কামৰূপত আটা, চাউল, আৰু বানপানী সাহায্যাদি দিয়াৰ উপৰিও ৫ হাজাৰ কুইণ্টেল চাউল দিছে। ইয়াৰ পৰা দেখা যায় যে, য'ত মাটি বেচি আছে তাতে বেচি ধান-চাউল আদি দিয়া হৈছে। আনহাতে য'ত বাগান আদি বেচি আছে তাতেই কম ধান, চাউল দিয়া হৈছে। আজি চৰকাৰে ভয় দেখুৱাই ধান বিক্ৰী কৰাইছে। কিন্তু ইয়াৰ পৰিণাম কি হৈছে? আজি গুৱাহাটীত ১৪০ টকা প্ৰতি কুইণ্টেলত যেতিয়া ধান বিক্ৰী হৈছে তেতিয়া মঙ্গলদৈত ধান বিক্ৰী হৈছে প্ৰতি কুইণ্টেলত ৭০ টকাত। কিন্তু মঙ্গলদৈ আৰু গুৱাহাটীৰ প্ৰাৰ্থক্য মাত্ৰ Border ত হে। মই সেই কাৰণেই কৈছো যে, Border নিয়ন্ত্ৰণ কৰক। আজি আমাৰ মঙ্গলদৈৰ খাৰুপেতিয়া অঞ্চলত কি হৈছে? মই এই ক্ষেত্ৰত যোগানমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে, এই দাম নিয়ন্ত্ৰণ কৰক। আনকি যোৱা বছৰত মই নিজে মন্ত্ৰী মহোদয়ক Deputation হিচাবেও লগ ধৰিছিলো। এইবাৰো ৰৌতাৰ মিটিংত মই মন্ত্ৰী মহোদয়ক এই বিষয়ে অনুৰোধ কৰিছিলো। এইবাৰ আমাৰ খেতিয়ক সকলে ধান বিক্ৰী কৰিছে ১৪।১৫ টকা মোনে আনহাতে মোনত

* Speech not corrected

৩৬'০২ কিলোগ্ৰামৰ ঠাইত ৪০ কিলোগ্ৰাম লৈছে। আনহাতে ৭½% ধূলি এবাৰ ঠাইত ১২½% কৰিছে। এই ধৰণেই আজি খেতিয়ক সকলক জুৰুলা কৰিছে। সেই কাৰণেই মই ৰাজ্যপালৰ ভাষণৰ ওপৰত এই Motion টো আনিছো যে "অসম বিধান সভাৰ নিয়মাৱলী মতে মই ৰাজ্যপালৰ ভাষণৰ ওপৰত এই মোচন আনিব খুজিছো। ৰাজ্যপালে অসমৰ জনজাতীয় আহোম, টাই, মঙ্গোলীয়ান, ক্ষত্ৰিয়, ৰাজবংশী, কোচ সকলৰ সমস্যাৰ কথা উল্লেখ কৰা নাই। অসমত বসবাস কৰা বিভিন্ন সংখ্যালঘু সম্প্ৰদায়বোৰৰ কথা সমুলি উল্লেখ কৰা নাই। চাহ বাগানৰ শ্ৰমিক সকলৰ তৰফৰ পৰা উত্থাপিত দাবীৰ বিষয়ে উল্লেখ কৰা নাই। অসমৰ পৰিকল্পনা গাওঁমুখী কৰাৰ কোনো ইংগিত দিয়া হোৱা নাই।

ভাৰতীয় সংবিধানত উল্লেখিত ৰাজ্যদায়িত্ব পালন কৰাৰ ক্ষেত্ৰত ব্যৰ্থ হোৱা সম্পৰ্কে উল্লেখ কৰা হোৱা নাই।

সেইকাৰণেই মই এই মোচনটো উত্থাপন কৰিছো আৰু মোৰ বক্তব্যও ইয়াতে সামৰণি মাৰিছো।

* শ্ৰীনকুল চন্দ্ৰ দাস—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই বিধান সভাৰ পাঁচবছৰীয়া জীৱন কালৰ বৰ্ত্তমান বছৰটো শেষৰ বছৰ বুলি ক'লে অত্যুক্তি কৰা নহব। বিধান সভাৰ এই বাজেট অধিবেশনেই শেষ বাজেট অধিবেশন বুলি কলেও বৰাই কোৱা নহব। এই বাজেট অধিবেশন উদ্বোধন কৰি ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত ৰাজ্যৰ সমস্যাৱলীৰ যি এক বিশ্লেষণ দাঙি ধৰিছে—সেই বিশ্লেষণত যোৱা চাৰি বছৰে আমাৰ ৰাজ্যৰ কাৰণে কি কৰিব পাৰিলে বা কি কৰিব নোৱাৰিলে বা আমি কি লক্ষ্য লৈ আহিছিলো আৰু সেই লক্ষ্যত কিমান দূৰ আগবাঢ়ি আহিলো আদি আত্ম বিশ্লেষণৰ মনোভাৱেৰে এই ৰাজ্যপালৰ ভাষণটি আলোচনা কৰিবলৈ চেষ্টা কৰিম।

(উপাধ্যক্ষই আসন গ্ৰহণ কৰে)

উপাধ্যক্ষ মহোদয়, ৰাজ্যপালে তেখেতৰ ভাষণ প্ৰসংগত স্বাভাৱিকতে ৰাজ্যৰ সৰু-বৰ সকলো সমস্যা সন্নিবিষ্ট কৰিব নোৱাৰিলেও অনেগা সমস্যা

* Speech not corrected

সীমান্ত সমস্যা, সামাজিক সম্প্ৰীতি সমস্যা, মিজো পাহাৰ সমস্যা, নিবনুৱা সমস্যা, বানপানী সমস্যা আদি কৰি ৰাজ্যৰ প্ৰায় প্ৰত্যেক সমস্যাকেই সম্পূৰ্ণ ভাবে বিশ্লেষণ কৰিবলৈ সৎ চেষ্টা চলাইছে।

এই ভাষণত উল্লেখ কৰা সমস্যাৱলীৰ ভিতৰত আজি যদি আমি ৰাজ্যৰ সমস্যাবহুল জীৱনৰ কথালৈ মন কৰো তেতিয়াহলে আমি স্বীকাৰ কৰিব লাগিব যে, স্বাধীনতাৰ যোৱা ২৫ বছৰ কালত আমাৰ জনসাধাৰণৰ ৰাজনৈতিক জীৱন যি ধৰণে উন্নতি কৰিবলৈ আশা কৰিছিলো সেই ধৰণে উন্নতি কৰিব নোৱাৰিলো। ইয়াৰ কেৰোণ ক'ত? তাৰ আজি বিশ্লেষণৰ প্ৰয়োজন হৈছে। অলপতে হৈ যোৱা লোক সভাৰ মধ্যকালীন নিৰ্ব্বাচনে আজি ভাৰতবৰ্ষৰ ৰাজনৈতিক আৰু অৰ্থ নৈতিক জীৱনত এক নতুন যুগৰ সূচনা কৰিছে। এই নতুন যুগৰ লগত আমাৰ মনক কেনেকৈ খাপ খুৱাৰ পৰা হব সেইটোহে নিৰ্ভৰ কৰিছে। এই নিৰ্ব্বাচন সংক্ৰান্তত শাসক কংগ্ৰেছৰ নেতৃত্বাধীন কংগ্ৰেছে নানাধৰণৰ কৌশল অৱলম্বন কৰা বুলি বিভিন্ন মহলে অভিযোগ আনিছিল। আজি সৰ্ব্বভাৰতীয় ৰাজনীতিৰ ক্ষেত্ৰত শ্ৰীমতী ইন্দিৰাগন্ধীয়ে যি কাৰ্যসূচী গ্ৰহণ কৰিছে তাত ভাৰতবৰ্ষৰ সকলো নাগৰিকেই ৰায় দিছে আৰু সমৰ্থন দিছে বুলি কব পাৰি।

উপাধ্যক্ষ মহোদয় এতিয়া মই আমাৰ ৰাজ্য খনৰ সমস্যালৈ আহো। নিবনুৱা সমস্যাই অসমৰ প্ৰধান শত্ৰু। আজি যি সময়ত অসমৰ জনসংখ্যা বৃদ্ধি হোৱাৰ লগে লগে অসমৰ লাখ লাখ নিবনুৱাই কৰ্মসংস্থান বিচাৰি হাবাথুৰি খাব ধৰিছে সেই সময়ত আমাৰ চৰকাৰে বিশেষ সুযোগ সুবিধাৰ সৃষ্টি কৰিব পৰা নাই। আমাৰ ৰাজ্যপাল ডাঙৰীয়াই এই নিবনুৱা সমস্যাৰ সমাধানৰ বিষয়ে যথেষ্ঠ গুৰুত্ব সহকাৰে উল্লেখ কৰিছে। আজি সুচিন্তিত আৰু দূৰদৰ্শী পৰিকল্পনা গ্ৰহণ নকৰাৰ ফলত এই নিবনুৱা সমস্যাই আৰু ভয়াবহ ৰূপ ধাৰণ কৰিব আৰু পিচলৈ বিৰাট সমস্যাৰূপে থিয় দিব।

উপাধ্যক্ষ মহোদয়, আজি আমি প্ৰশাসনীয় ব্যৱস্থাত আমাৰ অৰ্থ নৈতিক আঁচনি সমূহৰ বিস্তৃত ৰূপ দিয়াৰ কাৰণে যি কাৰ্য্য ভাৰ গ্ৰহণ কৰিব

পৰিছো, দেশৰ সমস্যা আৰু প্ৰশাসনীয় ক্ষেত্ৰত আমি কি ধৰণে ইঙ্গিত দিব পাৰিছো, দেশৰ প্ৰশাসনত সেইটো সম্পূৰ্ণ ৰূপে প্ৰকাশ পোৱা নাই। পৰিকল্পনা সমূহৰ কিছুমান দূৰদৰ্শী হোৱা নাই। সেইটো আমি স্বীকাৰ কৰিব লাগিব। আমি প্ৰশাসনীয় ব্যৱস্থা আমাৰ যি বিলাক আঁচনি লোৱা হব তাৰ দ্বাৰা যাতে লাখে লাখে নিবনুৱা নিয়োগৰ ব্যৱস্থা কৰা যায় তালৈ লক্ষ্য ৰাখিব লাগিব। সেইমতে আঁচনি কৰি নিবনুৱা সমস্যা সমাধানৰ ব্যৱস্থা কৰিবৰ কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। ইয়াৰ কাৰণে আমি আমাৰ দেশৰ কৃষি উন্নয়ণ আৰু উদ্যোগৰ ক্ষেত্ৰত উদ্যোগীকৰণৰ কাৰণে বিশেষ ব্যৱস্থা লব লাগিব। দেশত অসংখ্য শিক্ষিত নিবনুৱা আছে তেওঁলোকে যাতে সমান সুবিধা পায় তাৰ ব্যৱস্থা কৰিব লাগিব। আমাৰ অসমত উদ্যোগীকৰণৰ নিমিত্তে এটা বাতাবৰণ দেখা গৈছে সেই কাৰণে সকলোৱে যাতে সুবিধা পায় তালৈ লক্ষ্য ৰখা উচিত। উদাহৰণ স্বৰূপে আমাৰ মঙ্গলদৈ মহকুমাৰ কথা কব খুজিছো ; যে ভাৰত চৰকাৰে অসমত যি মৰাপাটৰ কল স্থাপন কৰিবলৈ বিচাৰিছে সেই কল যেন মঙ্গলদৈ মহকুমাত স্থাপন কৰি অসমৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত থকা মৰাপাটৰ উদ্যোগী সকলক উৎসাহ দিব বুলি আশা কৰিলো।

কৃষিৰ ক্ষেত্ৰত চৰকাৰে কৃষিৰ সম্প্ৰসাৰণৰ বাবে আৰু ভূমি নীতিৰ ফালে বিশেষ গুৰুত্ব দিব লাগিব। ভূমিহীন খেতিয়কে মাটিৰ কাৰণে হাবাথুৰি খাই ফুৰিছে। আমাৰ যি বিলাক আৱশ্যকীয় হাবি-বন আছে সেইবিলাক প্ৰত্যেক ভূমিহীন খেতিয়কৰ সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে। আৰু তাৰ লগতে আমাৰ দেশৰ উৎপাদন সমস্যা লাঘৱ হব বুলি ভাবো। জনসাধাৰণৰ সংখ্যা আমাৰ দেশত যি দৰে বৃদ্ধি পাইছে তালৈ চালে দেখিব যে আমাৰ কৃষি আধুনিকীকৰণ অত্যন্ত প্ৰয়োজন হৈ পৰিছে। সেইকাৰণে ইয়াৰ বাবে আমাৰ বিস্তৃত আঁচনি লোৱাৰো প্ৰয়োজন হৈ পৰিছে।

আজি নগা পাহাৰত সীমালৈ বিবাদ চলিছে। তাৰ যথেষ্ঠ আলোচনা হৈ গৈছে। তাৰ পুনৰাবৃত্তি মই কৰিব নিবিচাৰো। কিন্তু কেন্দ্ৰীয় চৰকাৰক হেচা দি এই সমস্যা সমাধান কৰাটো উচিত হব। আজি নগা ৰাজ্য

চৰকাৰৰ উচটনিত যি দৰে সীমান্ত অঞ্চলত বেদখল হৈছে আৰু নামবৰ হাবি অঞ্চলত যি দৰে ভাবুকি প্ৰদৰ্শন কৰিছে সেইটো অচিৰে বন্ধ হোৱা উচিত আৰু সেই মাটি উদ্ধাৰ কৰি আমাৰ মাটিহীন খেতিয়কক দিয়াৰ ব্যৱস্থা কৰিব লাগে। নগাপাহাৰৰ সীমান্তত যি অত্যাচাৰ আমাৰ ৰাইজৰ ওপৰত চলি আছে সেইটো বন্ধ কৰাৰ কাৰণে হেঁচা দিব লাগে।

Shri Hiralal Patwari—মাননীয় সদস্যই কৈছে যে হেঁচা দিয়াৰ কথা, সেইটো কেনেধৰণৰ হেঁচা দিয়াৰ কথা কৈছে ?

Shri Nakul Das—মাননীয় সদস্য গৰাকী নিশ্চয় এজন গণতন্ত্ৰ বিশ্বাসী লোক। মই গণতান্ত্ৰিক হেঁচা দিবলৈ অনুৰোধ কৰিছো। উপাধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ে কৈছে যে যোৱা ২ বছৰ ধৰি ভাৰত পাকিস্তানৰ সীমান্তত শান্তি আপেক্ষিক ভাৱে বিৰাজ কৰিছে, কিন্তু বৰ্ত্তমান পূৱ পাকিস্তানৰ যি ঘটনা ঘটিছে ভালৈ চাই আমি সজাগ হোৱাটো উচিত বুলি ভাবো। পূব পাকিস্তানৰ গণ আন্দোলনৰ আশ্ৰয় লৈ পাকিস্তান চৰকাৰে আমাক এটা ভাবুকি দিয়াৰ চেষ্টা কৰিব পাৰে সেইকাৰণে প্ৰতিৰক্ষা ব্যৱস্থাটো শক্তিশালী কৰিবলৈ চৰকাৰক অনুৰোধ জনালো।

আজি Mizo পাহাৰত শান্তিপূৰ্ণ পৰিবেশ ঘূৰি আহিছে বুলি ৰাজ্যপালৰ ভাষণত কৈছে। হয়টো তাত এটা উদাৰ বাতাবৰণৰ সৃষ্টি হব পাৰে কিন্তু যাতে তাত তেওঁলোকৰ দৈনন্দিন জীৱন যাপনত কোনো আহুকাল ভুগিবলগিয়া নহয় সেইটোলৈও লক্ষ্য কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, এতিয়া আমাৰ ৰাজ্যৰ ডাঙৰ সমস্যা হ'ল বানপানীৰ সমস্যা। কিন্তু দুখৰ বিষয় যে যোৱা বছৰ আমাৰ ৰাজ্যত ব্ৰহ্মপুত্ৰ কমিচন নামে এটা কমিচন গঠন হৈছে। এই কমিচনে ৰাজ্যৰ গোটেই বানপানী নিয়ন্ত্ৰণ আৰু মঠাউৰি বন্ধা আদি কাম হাতত লৈছে। অথচ আজি দুবছৰৰ পৰাই এই কাম হৈ উঠা নাই। দুবছৰৰ আগতে ভঙা মঠাউৰি ভঙা ভাগেই আছে আৰু দূৰ্ব্বল মঠাউৰি বিলাক দূৰ্ব্বল হৈয়েই আছে। সেই বিলাকৰ পুনৰ নিৰ্মাণ এতিয়াও হোৱা নাই। কিছুমান ঠাইত নতুন নতুন মঠাউৰিৰ প্ৰয়োজন আছে; সেই বিলাকো দিয়া নাই আৰু কিছুমান মঠাউৰি আধৰুৱা হৈয়েই আছে; সেই বিলাক সম্পূৰ্ণ

হৈ উঠা নাই। গতিকে বান নিয়ন্ত্ৰণ বিভাগে যদি এইবিলাক মঠাউৰি নিৰ্ম্মাণৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ নকৰে আৰু এই কেইদিনৰ ভিতৰতে যদি আধৰুৱা মঠাউৰি বিলাক সম্পূৰ্ণ কৰাৰ বিশেষ ব্যৱস্থা নকৰে তেন্তে আৰু ডেৰ বা দুমাহৰ পাছত বানপানীৰ আগজাননী আহিবই তেতিয়া মঠাউৰি বন্ধাৰ কামত বহুতো বাধা আহিব। গতিকে ব্ৰহ্মপুত্ৰ কমিচন হোৱাৰ পাছতো যদি মঠাউৰিৰ কামত চৰকাৰৰ অৱহেলাই দেখা দিয়ে, তেন্তে আমি ৰাইজক কি বুলি আশ্বাস দিম ? যদি মঠাউৰি আধৰুৱা অৱস্থাতেই থাকিব লগা হয়, তেন্তে উন্মত্ত জনতাক আৰু দুখীয়া কৃষক সকলক কি বুলি কৈ আশ্বাস দিম ?

(Voices—তেখেতৰ পাছৰ Election ৰ কথা চিন্তা কৰিলেই)

গতিকে ব্ৰহ্মপুত্ৰ কমিচনৰ কাম সম্পূৰ্ণ কৰি বানপানীৰ পৰা দুখীয়া কৃষকক ৰক্ষা কৰিব লাগে। তাৰ পাছত নিবনুৱা সমস্যা সমাধানৰ কাৰণে আমাৰ ৰাজ্যৰ সৰ্ব্বাঙ্গীন উন্নতিৰ বাবে যদি প্ৰচেষ্টা চলোৱা নহয়, তেন্তে আমি সহজে নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰিম। সেই কাৰণে আমাৰ চৰকাৰে নিবনুৱা সমস্যাটো এটা ডাঙৰ সমস্যা হিচাবে লৈ বিপুল জনসাধাৰণৰ অংশীদাৰ হৈ এই বিলাক কথা বিবেচনা কৰিব লাগে। তাৰ বাবে চৰকাৰে দূৰদৰ্শিতাৰে ৰাজ্যৰ সৰ্ব্বাঙ্গীন উন্নতিৰ আঁচনি গ্ৰহণ নকৰিলে এই সমস্যা সমাধান কৰাত বহুতো বেমেজালিৰ সৃষ্টি হব।

অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যপালে তেখেতৰ ভাষণত Electrification ৰ কথা উল্লেখ কৰিছে। আমাৰ ৰাজ্যত কিছুমান গ্ৰাম্যাঞ্চলৰ এই বিষয়ে দাবী আছে। এই দাবী পূৰণৰ অৰ্থে আৰু বিপুল জনশক্তিৰ উন্নতিৰ হকে যদি আমি এই Electrification জৰিয়তে পানী যোগানৰ ব্যৱস্থা নকৰো তেন্তে আমাৰ কৃষক সকলৰ জীৱিকা নিৰ্বাহৰ ক্ষেত্ৰত বহুতো ক্ষতি কৰা হব। কাজেই আমাৰ চৰকাৰে খেতি পথাৰ বিলাকত Electrification ৰ দ্বাৰা পানী যোগানৰ ব্যৱস্থা কৰিব লাগিব। আজি চৰকাৰে বিদ্যুতৰ যোগান ধৰাটো সঁচা ; কিন্তু কৃষি বিভাগেই হওক বা পঞ্চায়তেই হওক এই বিষয়ত তৎপৰ নহলে ভবিষ্যতে গোটেই অসমৰ খেতি-পথাৰৰ কাৰ্য্যত উন্নতি হোৱাটো দূৰোহ হব। গতিকে যাতে বিজুলী শক্তিৰ দ্বাৰা পানী যোগানৰ ব্যৱস্থা

কৰি খেতি পথাৰৰ উন্নতি সাধন কৰিব লাগে। মোৰ এইখিনি কোৱাৰ উদ্দেশ্য এয়ে যে আমাৰ অসমৰ জনসাধাৰণ কৃষিজীৱি। কৃষিৰ ওপৰতে জীৱন ধাৰণৰ বাবে নিৰ্ভৰ কৰে। গতিকে কৃষিৰ লগে লগে যাতে অসমৰ কুটিৰ শিল্পৰো উন্নতি হয়, তালৈ লক্ষ্য কৰিব লাগে। এই বিষয়ত পঞ্চায়ত বিভাগেই হওক বা কৃষি বিভাগেই হওক জাতি-ধৰ্ম নিৰ্ব্বিশেষে সাম্প্ৰদায়িক বৈষম্যতা দূৰ কৰি কি দৰে দুখীয়া খেতিয়ক ৰাইজৰ জীৱিকা নিৰ্বাহৰ পথ মুকলি হয়, তাৰ ব্যৱস্থা কৰিব লাগে।

(স্বৰ—নিজে সমন্বয় ৰক্ষাৰ কমিটিত আছে।)

উপাধ্যক্ষ মহোদয়, আপুনি অসমৰ জনসাধাৰণৰ আৰ্থিক জীৱনৰ মানদণ্ডৰ কথা ভালদৰে জানে। গতিকে আমাৰ কৃষক সকলৰ আৰ্থিক অৱস্থাৰ উন্নতি সাধন কৰাৰ বাবে খেতি পথাৰ বিলাকত বিজুলী শক্তিৰ দ্বাৰা পানী যোগানৰ ব্যৱস্থা কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, আজি আমাৰ ৰাজ্যখনৰ সৰ্বাঙ্গীণ উন্নতি সাধনৰ কাৰণে আটাইতকৈ প্ৰয়োজনীয় কাৰণ হল জনসাধাৰণৰ মাজত সৃষ্টি হোৱা সাম্প্ৰদায়িক ভাৱসাম্যতা। আজি জনসাধাৰণৰ মাজত যিটো মনোভাৱ সৃষ্টি হৈছে আৰু যি অবাঞ্চনীয় বাতাৱৰণ সৃষ্টি হৈছে তাৰ বাবে আমি সকলোৱে সচেতন হোৱা উচিত। কাৰণ আজি জনশক্তিৰ মাজত যিটো জাগৰণ আহিছে সেইয়া ইন্দিৰাগান্ধীয়ে জগৎজীৱন ৰামক সমৰ্থন কৰাৰ বাবে কংগ্ৰেছৰ মৰ্য্যাদা হানি হৈছে বুলি মই কব বিচৰা নাই বা জনসাধাৰণে কংগ্ৰেছক মূল্যাঙ্কণ কৰা নাই বুলি কব খোজা নাই।

আজি আমাৰ দেশৰ স্বাধীনতা ২৪ বছৰ হ'ল। এই কেইবছৰে যি খিনি সা-সুবিধা গ্ৰহণ কৰিব লাগিছিল, সেইখিনি গ্ৰহণ কৰা হ'লে আজি আমাৰ দেশৰ অৰ্থনৈতিক তথা সামাজিক উন্নতি সাধন হ'ল-হেতেন। কিন্তু আজি তাৰ পৰিবৰ্ত্তে ভাৰতৰ এক শ্ৰেণীয়ে সুবিধাবাদী হৈ লাখপতি হৈছে আৰু আন এক শ্ৰেণীয়ে কষ্টভোগ কৰিবলগীয়া হৈছে। সেই কাৰণে আজি প্ৰশাসনীয় ব্যৱস্থা ভাল আৰু উন্নত হোৱা উচিত। প্ৰশাসনীয় ব্যৱস্থাত সামাজিক আৰু অৰ্থনৈতিক উন্নতিৰ ক্ষেত্ৰত অৱহেলিত হোৱা দেখা গৈছে। তাৰ ফলত সাম্প্ৰদায়িক ভাৱসাম্যই দেখা

দিছে। গতিকে নিৰপেক্ষ দৃষ্টিৰে জাতিধৰ্ম্ম নিৰ্বিশেষে ৰাইজৰ মঙ্গলৰ কাৰণে আৰু জীৱনৰ মানদণ্ড উন্নত কৰিবৰ কাৰণে সকলোৱে সমানে প্ৰচেষ্টা চলাব লাগে। আজি জন সাধাৰণৰ উন্নতিৰ কাৰণে চৰকাৰে যি বিলাক আঁচনি হাতত লৈছে সেইবিলাক পাৰ্যমানে কাৰ্য্যকৰী কৰি যাব লাগে আৰু কাৰ্য্যকৰী হলেহে জনসাধাৰণৰ উন্নতি হোৱা বুলি আশা কৰিব পাৰি। সেই কাৰণে মই ৰাজ্য চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো আজি আমাৰ একমাত্ৰ লক্ষ্য হোৱা উচিত যে ৰাজ্যিক পৰ্য্যায়ত যি টকা পইচাৰ প্ৰয়োজন সেই বিলাক কৰিবৰ কাৰণে চৰকাৰে বিশেষ ব্যৱস্থা লব লাগে, যাতে আমাৰ সকলো শ্ৰেণীৰ লোকে সমানে সুবিধা পাব পাৰে।

আমাৰ বিৰোধী দলৰ সদস্য কিছুমানে ৰাজ্যপালৰ ভাষণৰ ওপৰত ভিত্তি কৰি কিছুমান অতিৰঞ্জিত কথা কৈছে। কাৰণ আজি জন-সাধাৰণৰ দুই তৃতীয়াংশ লোকেই কংগ্ৰেছ চৰকাৰৰ কাৰ্য্যকলাপ সমৰ্থন কৰি ইন্দিৰাগান্ধী, জগৎজীৱনৰাম আদিক ভোট দিছে। গতিকে এই কাৰ্য্যই প্ৰমাণ কৰে যে বিৰোধীদলৰ সদস্য সকলে কিছুমান কথা অতিৰঞ্জিত কৰি কৈছে। ইমানকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

(11·32 A.M.) The Speaker left the Chair and the Deputy Speaker occupied it.

* Shri Phani Bora—Mr. Deputy Speaker, Sir, those who spoke, some were very eloquent in saying that the division in their party is nothing but a struggle for the leadership. There is no difference on policy, there is no conflict on ideology. They are to-day found as eloquent supporters of Indira Gandhi and Shri Jagjivan Ram. They were never found in those days of the conflict in support of Indira Gandhi—they were deriding, but,

* Speech not corrected

today when Indira Gandhi consolidated her position in the country, those people are now found to be lance under the shadow of Indira Gandhi—they want to shine. It is good that they have changed. To-day, in the last General Election, the Indira Gandhi Congress has split the ballot and many people are trying to shine in the reflected glory but I want to tell them to realise on what promise the Congress Party has won the election. Let them realise even now and if they fail to fulfill the promise held out before the people of India, they will be cut and not cut very late they will be cut very soon. I warn them. Mr. Deputy Speaker, Sir, there are many people in the Opposition who are finding the selves in disarray. I also tell them not to lose faith on the people. The people are clever enough, the people are intelligent enough and the people's verdict has got to be respected because those are the people who are going to change the tide of the history. To-day, in the absence of a strong United Front of the Left and Democratic forces, on the contrary, in the background of the failure of the United Front Government in the different States, particularly in Bengal, the masses of the people in the counry have lost faith on such a Left Democratic Front and in the absence of such a democratic front capable of giving leadership to the whole country and in that background the split in the Congress came

* Speech not corrected

and in the split in the Congress Indira Gandhi did not try to patch it up but on the contrary tried to make it a political issue, and ideological issue and thereby held out a promise that I am going to bring about a change in the country and I have heard Indira Gandhi telling to the Indian masses 'Garibi Hatao'. It was that slogan which caught the imagination of the common people. It was this slogan which caught the imagination of the common man in the country and coupled with it the purging of the Congress Party with those people like Morarji Desai, S. K. Patil and others always the defenders of the monopoly capitalism feudal interests Indira Gandhi could project the image before the common man of the Indian people. It is this for which the common people rally round Indira Gandhi. Now, in India to-day the Indian masses will like, we will like the fulfilment of the promises. But what is this Governor's address ? Has it got anything to do with the promises made by Indira Gandhi ? Those people, those gentlemen, those Hon'ble Ministers who are responsible for drafting this policy statement of the Govt of Assam in the background of this big political events in the country, has it got any relationship with this slogan ? Has it got any relationship with the promises ? Nothing. Therefore, those who are to-day having a very big victory in the last general election has become so jubilant, I want

* Speech not corrected.

to tell them 'please try to translate the promises held out by Smti. Indira Gandhi in the State of Assam. Come on. Give us a policy, give us a programme.' What is the policy ? Where is the programme ? How are you going to solve the problem of the landless millions of our country ? What is the promises ? How are you going to take over the land even now in the occupation of the different Planters without compensation ? Who is going to prevent Indira Gandhi and your party from changing the Constitution in favour of the people ? Who is going to prevent the party of the Congress from bringing about any legislation whatever they like in order to bring a change in the social order of the country ? They are of the majority party ; they are of the 2/3rd majority party. Now that party is capable of translating every promises into practice. And if that party does to do it is not because of opposition from any quarter. If for their failures they are to be condemned, they will have to be condemned but I am concerned with my State. This address of the Governor has failed to hold out any promise to our people. If without compensation we are not going to take over the land owned by the different Planters besides the different plantation areas, how are we going to distribute land to the landless tillers ? We are talking of solving unemployment problem. My Hon'ble friend just now said, our plans and programmes must be employment oriented.

How are we going to have industries; how are we going to have plans for employment ? In your Governor's address, the policy statement it does not contain any promise for it. Unless you come out for the nationalisation of the coal industry still owned by the British imperialists, unless you come out with your programmes for nationalisation of the different plantation, how are you going to have resources in your hand ? How are you going to have a transformation in the field of national sation ? To-day in this statement of policy of the Govt. of Assam I expected in the background of this General Election a promise that we are going to give jobs to our own unemployed educated Engineers, Scientists, Graduates ; until and unless we are able to give them employment we will give them unemployment benefit. Where is the prom'se ? I would like to say here that unless government come forward with some plans and programmes to give some objective of creating employment to our unemployed youths, there will be no change. How are you going to bring a change without that ? Are you going to bring a change in the minds of our young generation in this way ? By starting a revolution peacefully ? It is no use saying to bring economic development of our State when there is no promise. ( A voice—You should believe ) Simply believing you will not bring a change. We want

that everybody should be rich and for that purpose you must have specific plans and programmes to create employment. Mr. Deputy Speaker, Sir, I am confident enough to believe that the some Indian masses who voted for the Indian Congress, when they will find afterwards that the promises already given to them are false and only for capturing votes, will revolt against you. There will be revolution and we also want revolution.

The other day when the Governor was going to address this House, we from the Opposition protested against his being partial. Many people have asked me as to why we had done so. I want to tell you and this House that the Governor is partial and he has shown partiality in more than one cases. He should not have cast his vote. I do not know to whom he cast his vote. According to the Constitution of India everybody has the right to vote. Not only that—our Governor has written some article. As a head of the State, the Governor should not write any article supporting the Government policy. Did Mrs. Indira Gandhi write any article in support of the Government policy before election ? The Governor has written in his article as :-

"Is it at all possible to reconcile the kind of political liberty that we have, boarding as it does on anarchy, with the carefully regulated economy we are try ing to create ? Is it not necessary, if economy is to be orderly for political life also to be regulated ; and if

we want to keep our political liberties which give our political life such vitality, will we not also have to tolerate some disorder in our economic life which might give to it also the vigour which today it so badly lacks."

Not only that he further says—"It is high time also that we began to realise that ownership in the third quarter of 20th century is an almost irrelevant concept and that consequently the long drawn-out and wholly sterile public sector—private sector controversy needs to be well and truely buried."

Sir, do you agree to this ? I want to ask whether Mrs Indira Gandhi will agree and does our Government agree to this ? Where is the conflict ? The conflict is between production and the producer. Contradiction is not with the producer and means of production. The producer does not care for the ownership. He does not care for distribution. He cares only for production. You must allow him to increase production at all costs. You must see how production is increased and how the wealth is distributed. You must see that wealth will not go to the pockets of a few rich people. Therefore, we are justified in saying that our Governor has taken a partial attitude. A few weeks before, the same Governor delivered a speech in the radio. In that speech he has said something which goes against the country. He said that devaluation was not correct. Devaluation

ruined our country. He has not only said that he has also supported it. This is the best defamation ever he has done. Therefore, we are justified in not allowing the Governor to deliver his speech.

Mr. Deputy Speaker, Sir, as I have already said the Governor's speech did not make any indication of translating the promises made by Mrs. Indira Gandhi. On the contrary, it is the stereotype lecture she has delivered occasionally. At no time this type of lecture could impress anybody. I would therefore ask the Go ernment even now to reconsider their all plans—plans for land reform and plans for industrialisation. In this respect, I would like to say that still there is enough time to reformulate the Fourth Five Year Plan. Sir, banks are nationalised. It gives benefit to some taxi-drivers and scooter-drivers in Delhi. They are getting something in this respect. But what benefits are going to give to our people here in our State ? If you give some loan to a taxi-driver or to a shop-keeper or to a manufacturer, it is meagre in comparison to their needs. On the other hand, how many banks are going to be opened in our villages, in our rural areas and in our small towns ? So our peasant cannot get benefit out of this. I earnestly request our Government to reformulate the proposals of the Fourth Five Year Plan. They should formulate some special plans so that nationalisation of banks can give some benefit to our poor peasants, small shop-keepers and

small manufacturers. It will also create some gainful employment potential. Side by side, I would like to request the Government immediately to reformulate the land reform policy, otherwise there is no use saying that we are going to amend the tenancy bill or this bill or that bill. Land must be taken over from the Tea Planters and from those who are holding more than 75 Bighas of land. A time limit to hand over the land must be given—may it be six months or so within which land must be given to the landless people. To take over land from the Tea gardens and from those who have more than 75 Bighas of land does not require any legislation. There will be no need of going to the High Court or to the Supreme Court. You must be bold enough to take action. Let them go to the court. If you are coward, you cannot do anything. You will have to give so many examination. Therefore, the peaceful transformation will come only if these measures are taken immediately. I would also demand that this Govt. in the budget speech must be able to tell us what they are going to do with regard to the unemployed youngmen of our country. I would demand either give them job and to those whom you cannot give job, you will have to give them unemployment benefit. May be in the form of money or in some other form, till you are not in a position to give them employment somewhere. Mr. Deputy Speaker Sir, Now our administration has got to be

geared up along with the economic policy. What is our administration ? It is a bureaucratic administration. For example, take the case of North Lakhimpur. There was a small quarrel, a very small matter, a remour and on the basis of that what heppened there was complete lawlessness on the part of the police and C. R. P. There were random firing over the common people. Take the case of Donsiri. The tribal people, the Miri people who had gore to catch fish. What happened there ? There was random firing and lathi charge over the people and 2 to 5 persons died on the spot. Sir, if this is the behaviour of our administraticn then the people will have no faith on them. What is the behaviour of our administration towards the landless people ? According to the Chief Minister's own statement in the Bakujuli and Udalguri forest reserve alone more than 7000 houses were burnt down. It is not only inhuman it is uncivilised and with an uncivilised administration you cannot bring into a peaceful transformation. Mr. Deputy Speaker Sir, we are talking of socialism. Those fellows who are building capitalism should not talk of socialism. To-day it should be very clear that Indiraji's victory is not the victory of socialism rather it is the victory of bourgeoisie. May be our hon. Hazarika is there with his Kuhram but he is also a party to capitalism. During the election in West Bengal the democratic forces were demoralised and thereby maximum damage has been done by us to ourselves. The fact is that when a probable suc-

sessful candidate is fought by another candidate the voters are utterly confused. ( Voices—Due to lack of leadership. ) Yes, yes, I agree to that. I have got that modesty to admit what is wrong and what is right. We should expect similar modesty on the part of the other side also. Now, Mr. Deputy Speaker Sir, may be it is a fact that due to the div sion in the Opposition or leftist forces the Congress Party who is moderate got the preference on behalf of the masses but the fact remains that there two things running side by side in India. One in the extreme right Jana Sang-Satantra and syndicate and in the left extremists and in between this division a condition has been created wherein the Bourgeoisic got elected. But this alone will not lend the country towards socialism. Whoever has got a little idea about scientific socialism should ponder over it. Mr. Deputy Speaker Sir, you have read many books. ( Voices—How do you know ? ) I know because I met him when he was a student in the college. He knows how socialism comes. Many other hon. members had schooling about Marxist-Leninism but they might have forgotten about it. They have got knowledge about the classical books. The classical books are those books on the basic of which the world is moving towards socialism. Therefore, there should be....

Mr. Deputy Speaker—Mr. Bora, how much time you will take ?

Shri Phani Bora—After lunch I shall take only few minutes.

Mr. Deputy Speaker—The House rises till 2 P. M.

Adjournment

The House then adjourned for lunch till 2 p. m.

AFTER LUNCH

Shri Phani Bora—Mr. Deputy Speaker, Sir, I was saying that it is not socialism that is going to be established in the country but it is a moderate capitalist rule of the bourgeoisie. Sir, socialism cannot be brought without transferring the means of production to the people. Keeping the means of production in the hands of a few individuals no socialism is ever built in the world and India is not going to be an exception. Therefore I was saying that those who in their young days studied books on socialism should refresh their memory by again going through the books which are classic and on the basis of which the world is moving towards socialism.

Mr. Deputy Speaker, Sir, whatever is the result of the last general elections—mid-term Lok Sabha elections—one thing is certain that the people in their wisdom whatever they have done we will have to respect that, and at the same time history proves that the weakening of the opposition from the State of Assam is the weakening of the State itself. We know that whatever achievements this State of Assam has been able to register during the course of the last few years, the opposition has the greatest contribution. For example, everybody knows that the establishment of the second refinery, petro-chemical complex, paper mills, cement

industry and in the struggle for the extension of the broad gauze railway line and even in the creation of the Brahmaputra Control Commission the opposition has the largest contribution. One should not forget that it was the members of the opposition in the Lok Sahba who had to resort to hunger strike before the Ministers bungalow and raised the demands of the State of Assam again and again in the floor of the Parliament which contributed a lot to make the Government of India concede to the demands of the people of Assam. Now Sir, Assam is definitely poor er by nct sending the prominent leaders of Assam to the Lok Sabha. Whatever it is, the people of Assam will also look forward to seeing that the overwhelming majority of the Congress members in whose favour they have given the verdict fulfil the desire of the people. If they take bold steps by amending the constitution against the monopolists, foreign imperialists and try to do things for the good of the people then they can count on our support as long as the interest of the people is served.

Mr. Deputy Speaker, Sir, The Governor's speech actually fails to give any inspiration to the people of our State. I say it with regard to general administration. Now, I want to touch upon the question of corruption that is rampant in the State. In the address of the Governor there is no mention about the very big corruption which was detected by the hon. members

of the House. Our thanks are due to the hon. member Shri Govinda Kalita, who brought to light a great scandal with regard to rice which was perpetrated by one of the Ministers, who is no longer here as a Minister. But there is no mention about it and there is no indication how this kind of corruption is going to be fought against. It does not prove that Government is really going in the direction of any redical change. I find that even unearthing of such a big scandal is sought to be mitigated by saying that there is no corruption involved in it and no action is called for. The people of Assam want that follow-up action has got to be taken by the Government against not only the corrupt Ministers but also others, including the traders, who were proved to be guilty of squandering away public money and destroying the co-operative movement itself in the State.

Mr. Deputy Speaker, Sir, at this moment I have got in my possession certain other report, which I am leaving for some other occasion to take up. I have no time now and, therefore, I shall take it up on another occasion. This is also very much revealing and will act as a time bomb.

Mr. Dupty Speaker, Sir, there is the Brahmaputra Commission about which the Governor spoke much much. But during my election tour I found that in one Minister's constituency in the Mayang area, four mouzas are regularly devastated every year twice or

thrice. But the Minister is sitting here tight helplessly. Because he is a weak Minister nobody cares for him. Otherwise I do not find any reason why in his constituency 23 miles have been left unprotected without embankment and waters from the Brahmaputra rush in and create havoc every year. When I went there the people were telling me that Mr. Hazarika has got some interested parties who are having fisheries and in order to allow fishes to come from the Brahmaputra this has been kept open. I could not say anything. I want an answer from the Governtment. I also want that the Brahmaputra Commission must take up this job of completing this embankment to save these four mouzas with a population of 2 to 3 lakhs. The people are without food and in a wretched condition. They are mostly backward people, tribal, scheduled castes and Muslims. The Brahmaputra Commission must do something immediately, to fill up this gap. ( The bell rang )

Mr. Deputy Speaker, Sir, I will touch only one point more and finish my speech and that is with regard to the shifting of the capital. Why there is no mention about the shifting of the capital ? What about the Committee set up for selection of site ? What about the Ministerial Sub-Committee ? What are their recommendations ? The Chief Minister promised that they would discuss about it. but up till now no discussion has been made. Why there is no

discussion about the shifting of the capital ? Does it mean that the capital is going, to stay here like this ? If that is so, let them say it, but if that is not so, then let us discuss it. We are not going to allow anybody to shift the capital according to his whims. The people are saying a lot of things. Some people are saying that some Ministers are interested in purchasing land in those areas where the capital is likely to be shifted. I do not know the truth or otherwise of it, but I want to, tell the Government that this House must be taken into confidence before final selection of site is made. All aspects will have to be examined. One Minister was telling me that in order to have a capital we must have a big airport. Why not have it ? You are the Government here and you are the Government in Delhi. Why not go to Delhi and say "we want a big airport there". I want the capital to be shifted to a centrally-located place and that place must be in such an area where planned city can be set up. Assam must have a planned city as its capital with indigenous people. The capital must be established with the genius of indigenous architecture and indigenous engineers. The capital of Assam must not belong to those who are not people of Assam. Strangely, Sir, the Governor's address did not say anything about the shifting of the capital. I say that the capital has got to be shifted and be shifted to a centrally-located place with the prospect of

a planned city, a city with our indigenous architecture indigenous engineering and indigenous people.

শ্ৰীমনেশ্বৰ ব্ৰড়ো—উপাধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ৰ ভাষণটো পঢ়ি ভাল যেনেই লাগিছিল। কিন্তু কিছুমান কথা সম্পূৰ্ণ অসত্য যেন অনুমান হয়। আমাৰ ৰাজ্যপালৰ ভাষণত কৈছে যে, আমি নতুনকৈ Pay Committee গঠন কৰিব খুজিছো। কিন্তু এই Pay Committee গঠন কৰা কথাটো যদি আমি ভালদৰে লক্ষ্য কৰো তেতিয়াহলে আমি দেখা পাওঁ যে আমাৰ এই চৰকাৰে আমাৰ দৈনন্দিন জীৱনৰ ব্যৱহাৰ্য্য দ্ৰব্য সমূহৰ মূল্য নিয়ন্ত্ৰণেই কৰিব পৰা নাই। অৱশ্যে আজি দৰমহা বৃদ্ধি কৰাৰ ফলত আমাৰ কিছুমান অফিচাৰৰ সহায় হব পাৰে কিন্তু আমাৰ যি সকল অতি গৰীৱ খেতিয়ক আছে, যি সকল দুখীয়া ৰাইজ আছে তেওঁলোকৰ অৱস্থাৰ কোনো উন্নতি সাধন হোৱা পৰিলক্ষিত হোৱা নাই। গৱৰ্ণমেণ্টে নিত্য ব্যৱহাৰ্য্য বস্তু যেনে, দাইল, চাউল, তেল, নিমখ আদিৰ মূল্য নিয়ন্ত্ৰণ কৰাৰ আৱশ্যক আছিল কিন্তু এই অপৰিহাৰ্য্য বিষয়টোৰ প্ৰতি আওকান কৰি আছে। দ্বিতীয়তে আমাৰ Scheduled Caste & Scheduled Trible সম্প্ৰদায় সকলৰ যি quota আছে সেইটো ১৯৭৩ চনৰ ভিতৰতে fill up কৰিব বুলি কৈছে। এই বিষয়ে মই বেছি দূৰলৈ নাযাও। মই ইয়াৰ কথা এটাকে কওঁ যে, এই এচম্বীলিতে বৰ্ত্তমান Session ৰ কাৰণে অস্থায়ী ভাৱে ৪০ জন মানুহ লৈছে। তাত আমাৰ Scheduled Caste Scheduled Tribe সম্প্ৰদায়ৰ এজনো মানুহ নাই। কিন্তু ইয়াত কি সুন্দৰকৈ লিখিছে—।

In the matter of reservation of Government services, my Government are keen that the target of reservation should be achieved by the end of 1973 at the latest. In respect of Private Sector, Government advised the industries and establishments to give adequate representation to the local youth and also to members of these communities.

আঃ কি সুন্দৰকৈ লিখিছে। এই ক্ষেত্ৰত মই কবলৈ বিচাৰিছো যে গুৱাহাটী তেল শোধনাগাৰত ১৯৬৮-৬৯ চনৰ ভিতৰত Scheduled Caste & Scheduled Tribe ৰ এজনো Typist লোৱা নহল। Security Watchman এজনো আনকি লোৱা নহল। আমাৰ Assembly ৰ ভিতৰতে যদি এইটো হয় তেনেহলে বাহিৰত কি হব কিন্তু লিখাত সকলো ঠিক আছে। ইয়াত শতকৰা ৬০ ভাগ মাছমৰীয়া সম্প্ৰদায়ৰ বাবে Reservation কৰাৰ কথা লিখিছে। কিছুমানে টকা খাইছে আৰু কিছুমানে Co-operative Basis ত দিয়াৰ কথা কৈছে, কিন্তু যি বিলাক দুখীয়া মানুহ তেওঁলোকৰ কি অৱস্থা হব তাৰ কোনো উল্লেখ নাই। Scheduled Caste ৰ মানুহে মাছ বিক্ৰী কৰি জীৱিকা নিৰ্ব্বাহ কৰে। কিন্তু জোৰ কৰি মাছ মাৰিবলৈ গলেও ফায়াৰিং হয়। এতিয়া ধনশিৰী ফিচাৰিত হোৱা ফায়াৰিংৰ কথা বৰা ডাঙৰীয়াই কৈ গৈছে। এইখিনিতে মই হাবি সম্প্ৰদায়ৰ কথা কওঁ। ইয়াত এইটো ইমান সুন্দৰকৈ লিখিছে—

Special schemes are being taken up for the benefit of backward classes, tea garden labourers, and plains tribal people.

কিন্তু কেনেধৰণৰ Scheme লৈছে, ইয়াত একো উল্লেখ কৰা নাই। ই মাত্ৰ ভুৱাৰ বাহিৰে একো নহয়। আৰু এটা হাঁহি উঠা কথা কৈছে—

For cultural and emotional integration and to foster healthy and constructive approach, it is proposed to open a few recreation centres as pilot projects in the State where our youngmen can meet and exchange ideas.

আঃ কি সুন্দৰ কথা কৈছে। আমাৰ লৰাবিলাকে ফূৰ্ত্তি কৰিবলৈ নাপায় অস্থিৰ হোৱা নাই। যে লৰাবিলাকে ফূৰ্ত্তি কৰিবলৈ Recreation Centre কৰিব লাগে— তেওঁলোক অস্থিৰ হোৱাৰ কাৰণ তেওঁলোকৰ জীৱিকা নিৰ্ব্বাহৰ কোনো উপায় নাইকীয়া হৈছে। আমাৰ শিক্ষিত ডেকাসকলৰ জীৱিকা উপাৰ্জন কৰাৰ কিবা ব্যৱস্থা কৰিব লাগে তাৰ কথা ইয়াত কোনো উল্লেখেই নাই। এইখিনিতে মই কবলৈ বিচাৰিছো যে,

এই নিৰনুৱা ডেকা সকলৰ কাৰণে Re-creation Centre কৰাৰ পৰিৱৰ্ত্তে কেইটামান Industry খুলি তেওঁলোকৰ জীৱিকাৰ সংস্থান নকৰিলে কিয় ? এনেধৰণৰ কোনো কথাই ইয়াত নাই। আমাৰ দেশত নিবনুৱা সমস্যাৰ বৃদ্ধি হৈছে। কিন্তু ১৯৬৯-৭০ বা ১৯৭০-৭১ চনত কিমান মানুহে চাকৰি পালে তাৰ কোনো ইঙ্গিত ইয়াত দিয়া নাই। গতিকে এই ভাষণত উল্লেখ কৰা তথ্যবিলাক মাত্ৰ ভূৱাৰ বাহিৰে একো হব নোৱাৰে। ৰাজ্যপালৰ ভাষণত এইটো কথা উল্লেখ কৰিছে যে, আমাৰ ডেকা লৰা বিলাকৰ কাৰণে কিছুমান Permit দিয়াৰ কথা কৈছে। আমাৰ দেশত যিবিলাক শিক্ষিত ডেকা আছে, সেইসকলৰ কাৰণে আজি চাকৰীৰ পৰিৱৰ্ত্তে কি সুন্দৰকৈ Permit দিয়াৰ কথা লিখিছে চাওঁক—

Special consideration is being given to the educated unemployed youth in the allotment of permits for taxis, buses and petrol pumps. Permits for 200 tourist taxis, 697 regional taxies and 402 buses have so far been issued. Government have decided to introduce auto-rickshaw throughout the State and the 200 permits first issued in Gauhati went mostly to educated unemployed youth.

এইটো কথা কেনেকৈ কৈছে কব নোৱাৰো। যিবিলাক দুখীয়া লৰা সেইসকলে কেনেকৈ গাড়ী কিনিব। গতিকে গৱৰ্ণমেণ্টৰ চাকৰি দিয়া এইয়ে নমুনা। আৰু ইয়াত লিখিছে—

No democracy can thrive without an educational base. Despite financial stringency, expansion programme at the level of primary and technical education is being carried out. In the sphere of general education, the emphasis now is on consolidation and improvement of teaching standard.

ইমান টকা দি কেইজনে Auto-rickshaw কিনিব পাৰে ?

( Voice— বেংকে টকা দিছে নহয়। )

শিক্ষাৰ ক্ষেত্ৰত তেখেতে যিখিনি কথা ইয়াত লিখিছে পঢ়িলে বৰ শ্ৰুতিমধুৰ হৈ উঠে। বাক্যটোও বৰ সুন্দৰ। অথচ আমাৰ দেশৰ প্ৰাইমেৰী স্কুলৰ এনেহে অৱস্থা যে ছাত্ৰ-ছাত্ৰী সকলৰ বহিবলৈ ঠাই নাই, পঢ়াটো দূৰৰ কথা। একোখন স্কুলত ১৫০ ৰ পৰা ২০০ পৰ্য্যন্ত ছাত্ৰ-ছাত্ৰী আছে অথচ শিক্ষক এজন। এই স্কুলবিলাকৰ অৱস্থাৰ কোনো উন্নতি আজিলৈকে হোৱা নাই। স্কুলত ব্লেকবৰ্ড নাই বেৰত লিখি পঢ়িব লাগে।

আজি এনে কিছুমান স্কুল আছে য'ত Black Board নাই। লৰাক লিখি দেখুৱাবৰ কাৰণে। বেৰত লিখি লিখি লৰাক দেখুৱাব-লগীয়া হয়। এয়ে হ'ল আমাৰ শিক্ষাৰ ব্যৱস্থা। আনহাতে পাকিস্তানৰ কথা ৰাজ্যপালে ইমান লঘু ভাবে কৰি দেখুৱাইছে। এইটো ইমান সুন্দৰ কথা হৈছে যে তাত আমাৰ আৰু কবলৈ একো বাকী নাই। সুৰমা নদীত বান্ধ দি পাকিস্তান চৰকাৰে অসমৰ বিৰাট ক্ষতি সাধন কৰিছে। কিন্তু সেই বান্ধটোৰ আনহাতে জিঞ্জিৰাম নৈৰ ওপৰত যিটো বান্ধ দিলে তাৰ দ্বাৰা কাছৰ জিলাৰ এটা বিৰাট পৰিমাণৰ ক্ষতি সাধন হৈছে। এইটোৰ কিবা খবৰ লৈছেনে? পাকিস্তানে সীমা অতিক্ৰম কৰি আহি গৰু চুৰ ডকাইটি আদি কৰিছে। সেই কথাৰ চৰকাৰে কিবা খবৰ ৰাখিছেনে?

(স্বৰ: গাই গৰু চুৰ কৰা নাই।)

অসম আৰু নগালেণ্ডৰ কথা ৰাজ্যপালে কৈছে। তেখেতে কৈছে যে নগাই অসমৰ বহুত মাটিত বেদখল কৰিছে। কিন্তু তেখেতে যেতিয়া নগালেণ্ড এচেম্বলীত ভাষণ দিব তেতিয়া তেখেতে কি কব। কবনে কি যে অসমে নগালেণ্ডৰ মাটি বেদখল কৰি আছে? কিয়নো তেখেত দুয়োখন দেশৰে ৰাজ্যপাল। গতিকে তেখেতে দুয়োখন দেশৰ সীমা বিবাদ মীমাংসা কৰাৰ চেষ্টা কৰা তেখেতৰহে দায়িত্ব। আমাৰ সমস্যা সমাধানত কি সহায় কৰিব? এই বিলাকৰ কাৰণে কোন দায়ী—মই আৰু বেচি নকও, ইয়াকে কৈ বহিলো।

Shri Giasuddin Ahmed—माननীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত বহুত কথাই লিখিছে। তাৰ ভিতৰত এটা কথাৰ মই অলপ আলোচনা

কৰিব খুজিছো। "আঞ্চলিক অসমতা আতৰোৱাটো মোৰ চৰকাৰৰ এটা প্ৰধান বিচাৰ্য্য বিষয়। গোৱালপাৰাত এটা পেট্ৰোকেমিকেল চক্ৰ, নগাঁৱত এটা কাগজৰ আৰু এটা মৰাপাটৰ কল, আৰু কাছাৰত কেইবাটাও উদ্যোগ স্থাপনে স্থানীয় লোকৰ ন্যায়সঙ্গত আশা বহু পৰিমাণে পূৰণ কৰিব। আঞ্চলিক অসমতা দূৰ কৰাব অৰ্থে পিচ পৰা অঞ্চলত উদ্যোগ স্থাপন আকৰ্ষণীয় কৰিবলৈ বিশেষ ৰেহাই দিবলৈ মনস্থ কৰা হৈছে।"

ইয়াত আঞ্চলিক অসমতা দূৰ কৰাৰ কথা উল্লেখ কৰিছে। অৱশ্যে এইটো উল্লেখ কৰাটো ভাল হৈছে। কিন্তু অতি দুখৰ কথা হৈছে যে যোৱা ২৩/২৪ বছৰ ধৰি যিটো আঞ্চলিক বৈষম্যৰ সৃষ্টি হৈছে তাক ৰাজ্যপালৰ ভাষণত ২/১টা বাক্য লিপিবদ্ধ কৰিয়েই দূৰ কৰিব নোৱাৰে। তাৰ কাৰণে এটা স্পষ্ট পৰিকল্পনা হাতত লব লাগিব। কোনো কোনো খণ্ডত বা কোনো কোনো ক্ষেত্ৰত যিটো আঞ্চলিক বৈষম্যৰ সৃষ্টি হৈছে সেইটোক নিৰ্মূল কৰিব লাগিব। এই সম্পৰ্কে আমাৰ পৰিসংখ্যা বিভাগে যি বোৰ তথ্য পাতি সংগ্ৰহ কৰিছে, অৱশ্যে মই নকও যে সকলো বিলাক শুদ্ধ হৈছে। তাৰ ওপৰত ভিত্তি কৰি যি খিনি জানিব পৰা যায় তাৰ পৰা এই কথা দেখা যায় যে জনমুৰি আয় গোৱালপাৰা জিলাতেই আটাইতকৈ কম। ১৯৬০-৬১ চনত চলিত মূল্যৰ ওপৰত ভিত্তি কৰি যিটো হিচাপ ডাঙি ধৰা হৈছে তাত দেখা গৈছে যে জনমুৰি আয় কাছাৰ জিলাত ২৯৫ টকা, গোৱালপাৰা জিলাত ২৩৪ টকা, কামৰূপ জিলাত ৩০২ টকা, দৰঙত ৩১২ টকা, নগাওঁ জিলাত ২৬১ টকা, শিৱসাগৰ জিলাত ৩৪৬ টকা, আৰু লক্ষীমপুৰ জিলাত ৪১৭ টকা। বিভিন্ন খণ্ডত যেনে কৃষি, শিল্প বা আন আন ক্ষেত্ৰত যিটো জনমুৰি আয় তাৰ প্ৰত্যেক জিলাৰ গড় হিচাপহে দেখুৱা হৈছে। আমি দেখিছো যে স্বাধীনতাৰ পিচত যেতিয়া আমাৰ জাতীয় চৰকাৰে শাসনভাৰ হাতত লৈছে তেতিয়াৰ পৰা সুনিৰ্দ্দিষ্ট পদ্ধতি অৱলম্বন নকৰি বিভিন্ন কামত স্বজন প্ৰীতি, favourtism, Nepotism অক প্ৰশ্ৰয় দিয়া হৈছে আৰু তাৰ ফলত দেখা গৈছে যে বিভিন্ন পৰিকল্পনাৰ বেচি ভাগেই কিছুমান বিশেষ বিশেষ অংশতহে পুঞ্জীভূত হৈছে।

কৃষিৰ ক্ষেত্ৰত আমি দেখিছো যে য'ত কেইবাটাও ৫ বছৰীয়া পৰি-

কল্পনাৰ ভিত্তিত আঁচনিৰ কাম হাতত লোৱা হৈছিল মই ভাবো সেই আঁচনি বোৰ ত্ৰুটিপূৰ্ণ আছিল। আৰু ত্ৰুটিপূৰ্ণ হোৱাৰ কাৰণে যি খিনি কৰিছে সেই খিনিও যদি সমানে বণ্টন কৰিলেহেতেন তেনেহলে আঞ্চলিক বৈষম্যৰ সৃষ্টি নহলহেতেন। আজি আমি দেখিবলৈ পাইছো যে জলসিঞ্চন ব্যৱস্থাৰ ক্ষেত্ৰত অসমৰ ভিতৰত এনেকুৱা কিছুমান ঠাই আছে য'ত জল-সিঞ্চন পৰিকল্পনাৰ আঁচনি এটাও হাতত লোৱা নাই।

( স্বৰ : লৈছে, লৈছে। )

এনে বহুত ঠাই আছে ; বিশেষকৈ গোৱালপাৰা জিলাত য'ত কোনো উদ্যোগ নাই। বৃটিছৰ শাসন কালতেই তাত এটা জুইশলা নিৰ্ম্মাণ কাৰ-খানা প্ৰতিষ্ঠা কৰিছিল ; তাৰ বাহিৰে আৰু তাত কোনো প্ৰতিষ্ঠান এতিয়ালৈকে নাই। ( Voice : দৰংটো নাই। ) দৰং জিলাৰ সম্পৰ্কত ৺বিষ্ণু ৰাভাদেৱে কৈছিল যে তাত মাত্ৰ এটা পগলা ফাটেক আছে। তাকো তাৰ পৰা উঠাই লৈ যাব লাগে। এনে কিছুমান ঠাই আছে যি বিলাকক চৰকাৰে বৈমাতৃ স্থলভ মনোভাব দেখুৱাইছে। তাৰ ফলত অসমৰ অখণ্ডতা আৰু সংহতি নষ্ট হৈছে। এই প্ৰসংগতে মই উল্লেখ কৰিব খুজিছো যে আৰু আগতেও কৈ আহিছো অসমৰ বুকুতে মেঘালয়, নগালেণ্ড কিয় সৃষ্টি হবলৈ পালে বা মিজো বিদ্ৰোহ কিয় হবলৈ পাইছে ....

যদি কোনোবাই ইয়াৰ কাৰণ সমূহ বিশ্লেষণ কৰি চায় তেনেহলে দেখিব যে চৰকাৰে বিজ্ঞান সন্মত আৰু নিৰপেক্ষ ভাবে শাসন পৰিচালনা নকৰাৰ কাৰণেই এইটো হৈছে। মই আগতে কৈছিলো Per Capita Income ৰ কথা। সেইটোৰ বিচাৰ কৰিব লাগে। শ্ৰীমতী ইন্দিৰা গান্ধীয়েও কৈছে 'গৰীবি হতাও'। কিন্তু এই 'গৰীবি হতাও' কেনেকৈ হয় ? ইয়াৰ কাৰণে আঁচনি ক'ত ? আমাৰ নেতা শ্ৰীবৰা ডাঙৰীয়াই যিটো কথা কৈছে সেইটো ঠিক। আজি আঞ্চলিক বৈষম্য দূৰ কৰাৰ কথা কৈছে। তাৰ বাবে আঁচনি ক'ত ? যোগীঘোপাত এটা কাগজৰ কল হৈছে। তাৰ বাবেই Per Capita Income বাঢ়িবনে ? এজনো গোৱালপৰিয়াই চাকৰি পোৱা নাই। তাৰ Head Office কৰিছে গুৱাহাটীত আৰু এটা

বিশেষ শ্ৰেণীৰ মানুহৰ নিযুক্তি হৈ আছে বুলি আমি অভিযোগ পাইছো। বঙাইগাঁৱত Oil Refinery হৈছে। ভাল কথা। আমাৰ কথা হৈছে গোটেই ৰাজ্যখনৰ পৰাই গৰীবি দূৰ কৰিব লাগে। এটা ফেক্টৰী কৰিলেই গৰীবি দূৰ নহয়। গোটেই দেশৰ পৰাই Backwardness দূৰ কৰিব লাগে, আৰু তাকে কৰিব লাগিলে য'ত ফেক্টৰী পাতে তাত স্থানীয় লোকক বিনিয়োগৰ স্থবিধা দিলেহে গৰীবি দূৰ হব—বক্তৃতাৰ দ্বাৰা দূৰ নহয়। গোৱালপাৰাত Co-operative খণ্ডত এটা Jute Mill পাতিবলৈ প্ৰস্তাৱ আগবঢ়াইছিল। কিন্তু সেই বিভাগীয় মন্ত্ৰীয়ে কোনো ব্যৱস্থা কৰা নাই। গতিকে ৰাজ্যপাল বা এজন মন্ত্ৰীয়ে ভাষণ দিলেই গৰীবিও দূৰ নহয় আৰু আঞ্চলিক বৈষম্যও দূৰ নহয়।

গোৱালপাৰাক অসমৰ Sick man বুলি কোৱা হয়। গোৱালপাৰাত ১৯২৮ চনৰে পৰা প্ৰজাস্বত্ব আইন চলি আছিল। সেই প্ৰজাস্বত্ব আইন মতে বন বিভাগৰ পৰা স্থানীয় লোকে কিছুমান স্থবিধা পাইছিল, যেনে, ঘৰৰ খুটা, নাঙল আদিৰ কাৰণে কাঠ আৰু খৰি আদি পাইছিল। অধ্যক্ষ মহোদয়, আমাৰ গাঁৱলীয়া মানুহ বিলাকে স্বাভাৱিক জীৱন-যাপন কৰে—যেনে, পথাৰৰ ধান, বাৰীৰ তামোল-পাণ, শাক-পাচলী, পুখুৰীৰ মাছ, হাতে বোৱা কাপোৰ-কানি আৰু বন-জঙ্গলৰ পৰা খৰি, ঘৰৰ খুটা, হাল বোৱা নাঙল আদি পায়। গোৱালপাৰা প্ৰজাস্বত্ব আইনৰ পৰা এইবোৰ স্থবিধা পাইছিল। কিন্তু আজি জমিদাৰী উচ্ছেদ কৰিলে। মই নকওঁ যে, জমিদাৰী উচ্ছেদ কৰিব নেলাগে—কিন্তু চৰকাৰে কৈছিল যে জমিদাৰী উচ্ছেদ কৰিলে ৰায়তে কিছুমান স্থবিধা পাব। কিন্তু সেইটো নহৈ ৰাইজে নাঙল আদি তৈয়াৰ কৰিবলৈ কাঠ আদিও অনা বন্ধহে হৈছে। কিন্তু এইবোৰ কথা ৰাজ্যপালৰ ভাষণত কোনো উল্লেখ নাই। ট্ৰেক্টৰৰ কথাও নাই আৰু খেতিয়কক স্থবিধা দিয়াৰ কথাও নাই।

যোৱা বাৰ বানপানীত গোৱালপাৰাত হাজাৰ হাজাৰ গৰু মৰিল কিন্তু চৰকাৰী কৰ্মচাৰী সকলে হিচাপত দেখুৱালে যে গৰু ম'হ মৰা খবৰ তেওঁলোকে পোৱা নাই। মই ব্যক্তিগত ভাৱে জানো যে গোৱালপাৰাত গৰু ম'হ মৰিছে কিন্তু চৰকাৰী কৰ্মচাৰী সকলে খবৰেই নাপালে

বুলি ক'লে । গতিকে ৰাজ্যপালৰ ভাষণত আমি সন্তুষ্ট হব পৰা নাই । যোৱা বছৰৰ কাৰ্য্য কলাপ বৰ্ণনা কৰাৰ লগতে অহা বছৰলৈ কি কি আঁচনি লব তাৰো এটা ইঙ্গিত পালে আমি আশাবাদী হব পাৰিলোঁহেতেন ।

গতিকে ৰাজ্যপালৰ ভাষণৰ বিৰোধীতা কৰি অনা প্ৰস্তাৱটো মই সমৰ্থন কৰিলোঁ ।

Sri Soneswar Bora—মাননীয় উপাধ্যক্ষ মহোদয়; ৰাজ্যপাল মহোদয়ে সদনত যিখন ভাষণ দাখিল কৰিলে সেইখন মাত্ৰ এখন গতানুগতিক ৰচনাহে । তেখেতে মাত্ৰ অসম চৰকাৰে তৈয়াৰ কৰি দিয়া এটা বিবৃতিহে সদনত ডাঙি ধৰিছে । অসমৰ বাইজৰ হৈ মই কব বিচাৰিছো এইটো এটা বৰ দুখৰ কথা যে ৰাজ্যপালৰ ভাষণত এটা কথা পৰিষ্কাৰ হৈ পৰিছে যে ৰাজ্যপালজনে এজন ৰাজনৈতিক নেতা হিচাবেহে এই সদনত ভাষণ দিছে । তেখেতে ইন্দিৰা গান্ধী আৰু মহেন্দ্ৰ মোহন চৌধুৰীয়ে কেন্দ্ৰ তথা ৰাজ্যত যেনেকৈ এখন নিজ দলীয় সুস্থ চৰকাৰ গঠন কৰিব বিচাৰিছে ৰাজ্যপালজনেও তেনেদৰেই দলীয় স্থান বিচাৰিছে । সেই কাৰণেই ৰাজ্যপালজনক এজন ৰাজনৈতিক নেতা বুলিহে কব পাৰি । মধ্যকালীন নিৰ্বাচনত কংগ্ৰেছে অভূতপূৰ্ব জয়লাভ কৰা বুলি কেইজনমান কংগ্ৰেছী সদস্যই জয়ঢোল কোৱাইছে । কিন্তু শাসক কংগ্ৰেছে কি সুবিধালৈ এই জয়লাভ কৰিলে সেইটো ৰাজ্যপালে কব পৰা নাই । এই নিৰ্বা-চনত কেনেকৈ কংগ্ৰেছে জয়লাভ কৰিলে; সেইটো গৱেষণা কৰি চোৱাৰ বিষয় । এই নিৰ্বাচনত গোটেই চৰকাৰী যন্ত্ৰটোৱেই পোনপটিয়া ভাবে নিৰ্বাচনত লাগি পৰিছিল । নিৰ্বাচন এটা মাত্ৰ চৰকাৰী যন্ত্ৰ হৈ পৰিছে । মই এইখিনি কবলৈ সাহস কৰিছো যে এই নিৰ্বাচন দুৰ্নীতিপূৰ্ণ হোৱাৰ কাৰণেই কংগ্ৰেছে জয়লাভ কৰিব পাৰিছে । যোৱাবাৰ বিধান সভাৰ অধিবেশনত ২৬ জনীয়া মন্ত্ৰীসভাৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ আনোতে মই কৈছিলো যে নিৰ্বাচনৰ সময়ত চৰকাৰে এই মন্ত্ৰী সকলক নিৰ্বাচনত লগাবৰ কাৰণেই এনে ডাঙৰ মন্ত্ৰীসভা গঠন কৰা হৈছে । অসমৰ আটাই কেইজন মন্ত্ৰী তহনিয়াই নিৰ্বাচনৰ সময় ছোৱাত নিৰ্বাচনী ভ্ৰমণ কৰিলে তাৰ প্ৰমাণো আজি আমি পালো । নিৰ্বাচনত এনেকুৱা ঘটনাও ঘটিছে যে এজন ৰাজ্যিক মন্ত্ৰীয়ে নিজৰ নামতেই Leaflet প্ৰকাশ কৰিছে ।

তদুপৰি চৰকাৰী গাড়ী, Officer আদিৰ সুবিধা লৈছে। তদুপৰি এইবাৰ নিৰ্বাচনৰ গণনাৰ প্ৰথাই—অন্যায়ৰ আশ্ৰয় লোৱাত বিশেষ সুবিধা দিছে।

এটা ডাঙৰ বাকচতে একোটা বিধান সভাৰ সমষ্টিৰ সকলো ভোট কেন্দ্ৰৰ ভোট কাগজ আনি একেলগে গণনা কৰাৰ যি প্ৰথা কৰিলে তাত যথেষ্ট দুৰ্নীতি সোমোৱাৰ সুবিধা পাইছে। এই প্ৰথাৰ দ্বাৰা কোন কেন্দ্ৰত কিমান ভোট পালে সেইটো কোনেও নাজানে। আনকি এই প্ৰথাৰ দ্বাৰা ভোটৰ বাকচ পৰ্যন্ত শলাই পেলোৱা হৈছে. এনেকুৱা ব্যৱস্থা থাকিলে চৰকাৰী যন্ত্ৰ জিকিবই। গোটেইবোৰ Presiding Officer য়ে ভোটৰ বাকচ নবদলালেও কিছুমান কেন্দ্ৰৰ ভোটৰ বাকচ বদলালেও জীকাৰ সুবিধা হব। বহুত দূৰৰ পৰা বাকচ আনোতে কিছুমান কেন্দ্ৰৰ ভোটৰ বাকচ বদলালেই হব; ১২।১৫ হাজাৰ ভোট বদলাই দিয়াৰ কোনো দিগদাৰ চৰকাৰৰ নাই। ভোট কেন্দ্ৰতেই ভোট গণনা হোৱাৰ ব্যৱস্থা কৰিলেহে নিৰ্বাচন ন্যায়পূৰ্ণ হব বুলি মই ভাবো। ২০।২৫।৩০ মাইল দূৰৰ পৰা বাকচ আনোতে Officer সকলে বা আনুগত্য চিপাহীয়ে ভোটৰ বাকচ বদলাই দিয়াটো একো টান নহয়। থিক তেনেকৈ বাকচ চমজি লোৱাৰ সময়টো অফিচাৰে বদলাব পাৰে। মই জনাত আমাৰ গোলাঘাটৰ Bedabratta Baruah য়াই আগতেই ঘোষণা কৰিছিল যে তেওঁ ১ লাখ ৩০ হাজাৰ ভোট পাব আৰু আমি ২০ হাজাৰৰ কম পাম। তেওঁ ইমানেই অঙ্কত পাৰ্গত নে যে সেই কথাটো আগতেই ঘোষণা কৰিব পাৰিলে? পিছত দেখা গ'ল যে তেওঁ ১ লাখ ২৮ হাজাৰ ভোট পালে আৰু আমাৰ দলে ১৮ হাজাৰ পালো। ইয়াৰ পৰাই প্ৰমাণ হয় যে ভোটৰ বাকচ নিশ্চয় চুৰি হয়। এওঁলোকৰ চুৰি কৰাৰ বাহিৰে ২য় পন্থা নাছিল তেওঁলোকে Plan কৰি এইয়া কৰিলে। মহাভাৰতৰ কথা: দুৰ্য্যোধনে ১০০ ভাতৃৰ বলত বলিয়ান হৈ তেওঁৰ হাঁতত অঁচলা লক্ষ্মী বাস কৰাৰ সুবিধা লৈ পাণ্ডৱক বধ কৰিবলৈ জাতুগৃহ দাহ কৰিছিল পিছে পাণ্ডৱ বিনাশ নহ'ল; কৌৰৱহে বিনাশ হ'লগৈ। সেইদৰে এই কংগ্ৰেছৰো এদিন অৱসান ঘটিব।

আজি ৰাজ্যপালৰ ভাষণত কোৱা হৈছে যে Nagaland চৰকাৰে

অসমৰ মাটি শিৱসাগৰ জিলাত বিশেষ ভাৱে বেদখল কৰিছে।

এই বিষয়ে মাননীয় সদস্য Maneswar Boro ডাঙৰীয়াই উল্লেখ কৰিছে। এইখিনি কথা অসম চৰকাৰে লিখি দিয়া কথাই অসমৰ ৰাজ্যপালে কৈছে। সেইদৰে নগা ৰাজ্য চৰকাৰেও লিখি দিয়া কথাকে অসমে নগালেণ্ডৰ মাটি বেদখল কৰা বুলি ৰাজ্যপালে Nagaland চৰকাৰৰ বিধান সভাত চাগৈ, আজি বহি থকা নগা বিধান সভাটো উদ্বোধনী ভাষণত কৈছেগৈ।

দুজন পুৰুষৰ এগৰাকী তিৰোতা হলে যি অৱস্থা হব আমাৰো দুখন ৰাজ্যৰ এজন ৰাজ্যপাল হোৱাৰ কাৰণে তেনে অৱস্থাই হৈছে। যিটো চৰকাৰে যেনেকৈ কোৱাই ৰাজ্যপাল জনেও তাকেই কয়। মই এজন Socialist হিচাবে ৰাজ্যপাল পদটোকেই উঠাই দিয়াৰ সদায় দাবী কৰি আহিছো। এই বগা হাঁতী পুহি থাকিবৰ কোনো আৱশ্যক নাই।

কিন্তু এইটো ঠিক যে, থকাৰ সময় ছোৱাত অন্ততঃ নিজৰ ৰাজ্যৰ নিজা ৰাজ্যপাল থকাটো উচিত। আজি এজন ৰাজ্যপালেই দুয়োখন ৰাজ্যতে থকাটো বাঞ্ছনীয় নহয়—অন্ততঃ বৰ্ত্তমানৰ পৰিস্থিতিত। আজি আমাৰ ইয়াত নগা চৰকাৰে অসমৰ মাটি দখল কৰা বুলি যি অভিযোগ উঠিছে আজি ১৫ তাৰিখে নগালেণ্ডৰ বিধান সভাতো সেই একে বিপৰীত অভিযোগকে তেওঁলোকে উঠাব। কাৰণ আমাৰ ইয়াত যেনেকৈ ৰাজ্যপালৰ বিবৃতিটো আমাৰ মুখ্যমন্ত্রী শ্ৰীচৌধুৰীয়ে যুগুত কৰি দিছে ঠিক সেই একেদৰেই নগালেণ্ডতো মুখ্যমন্ত্রী শ্ৰীছেমাই ঠিক কৰি দিছে। আমাৰ ইয়াৰ বিবৃতিটোত কৈছে যে, এই বিষয়টো লৈ কেন্দ্ৰীয় চৰকাৰৰ ওপৰত হেঁচা দিব। এতিয়া হেঁচা দিবনে আঁঠু লব সেইটোহে সন্দেহ। যোৱা ৪ ডিচেম্বৰৰ দিনা মেৰাপানীত দৈয়াং ৰিজাৰ্ভত নগা চকী পাতিছিল। এই ঘটনা আমাৰ মাননীয় মন্ত্রী শ্ৰীৰনেন্দ্ৰনাথ বসুমতাৰী দেৱেও দেখি আহিছে। তাৰ পৰা এতিয়া 3rd A. P. বেটেলিয়ন নে কি আঁতৰাই দিছে। তাৰ ঠাইত C. R. P. ৰাখিছে আৰু সেই সুবিধাতে নগা পুলিচৰ দ্বাৰা আমাৰ মাটিত চকী পাতিবলৈ সুবিধা দিয়া হৈছে। আজি যি ইন্দিৰা গান্ধীৰ চৰকাৰ জীয়াই আছে সেই চৰকাৰৰ তলত আমি আৰু একো আশা

কৰিব নোৱাৰো ।

ততুপৰি আৰু এটা কথাত দুখ লাগে যে, তেখেতে কৈছে যে, "১৯২৫ চনৰ বিজ্ঞপ্তিৰ ভিত্তিত ৰাজ্য দুখনৰ ভূমি সীমা পুনৰ নিৰ্দ্ধাৰণ কৰাটো আৱশ্যক বুলি মোৰ চৰকাৰে বিবেচনা কৰে ।" এইটোত মোৰ দুখো লাগে । কাৰণ তেখেতে কৈছে ভূমি সীমা পুনৰ নিৰ্দ্ধাৰণ কৰিব । এই পুনৰ নিৰ্দ্ধাৰণৰ কথাটো ধেনেকৈ আছিল । ইয়াত যদি কলেহেঁতেন যে, ১৯২৫ চনৰ বিজ্ঞপ্তি খনৰ কোনো পৰিবৰ্ত্তন নকৰি অসম আৰু নগালেণ্ডৰ সীমা অটুত ৰাখিব লাগে । কিন্তু পুনৰ নিৰ্দ্ধাৰণৰ কথাটো যিটো কৈছে সেই শব্দটোৱে আমাক মাৰিব । এই B. K. Nehru আমেৰিকাত থাকোতে যেতিয়া অসমলৈ অহাৰ কথা উঠিছিল তেতিয়াই মই এই বিধান সভাতে সেই কথাটো উত্থাপন কৰিছিলো । আৰু এইজন নায়কক অসমলৈ আনিব নেলাগে বুলি কৈছিলো । আজি সেইজন ৰাজ্যপালেই অসমৰ মাটি এই ধৰণে দি দিয়াৰ ব্যৱস্থা কৰিছে । আমি বহুত আগতেই এই কথা বুজি পাইছিলো । তেনেকৈয়ে আজি ৰাজ্যপালে হকে নহকে কিছুমান হিচাপ বহন কৰিছে । বিশেষকৈ নিবনুৱা সমস্যাৰ ক্ষেত্ৰত তেখেতে মাত্ৰ এটা উদ্যোগ প্ৰকাশ কৰি এটা চিন্তাহে কৰিছে । তাৰ বাহিৰে তেওঁ কোনো কথাই কোৱা নাই । এইটো বৰ দুখৰ কথা ।

আজি যেতিয়ালৈকে কংগ্ৰেছৰ শাসন চলি থাকিব তেতিয়ালৈকে এই অভাৱ থাকিব । যোৱা নিৰ্বাচনেই এই কথা প্ৰমাণ কৰিছে । বৰ্ত্তমান কংগ্ৰেছে ইন্দিৰা গান্ধীয়ে মাটিহীনক মাটি দিবলৈ নিবনুৱাক চাকৰি দিবলৈ সমাজবাদৰ আখৰা কৰিছে । সমাজবাদৰ কথা কৈ, নিবনুৱাক কাম দিম বুলি ভোট লব পাৰিব । গতিকে তেওঁলোকে নিবনুৱা সমস্যাটো সদায় জীয়াই থকাটোকে আচলতে বিচাৰে ।

যোৱা বিধান সভাৰ মজিয়াত বিত্তমন্ত্ৰীৰ বিবৃতিত অসমত নিবনুৱা কেইবা লাখো বুলি কৈছিল । এতিয়াও ৰাজ্যপালৰ ভাষণত কৈছে যে, ৩১-১২-৬০ তাৰিখে নিবনুৱাৰ সংখ্যা আছিল ২৯,৮১৬ আৰু ৩১-১২-৭০ তাৰিখে এই সংখ্যা ৭৮,০৫০ জনলৈ বৃদ্ধি পাইছে । এই সংখ্যাত মাত্ৰ Employment Exchange ত নাম ভৰ্ত্তি কৰা মানুহ কেইটাহে আছে ।

কিছুমান এনেকুৱা মানুহো আছে—যি, ৬ মাহ বা ৩ মাহৰ মূৰত চাকৰি নাপায় নাম ভৰ্ত্তি কৰিবলৈকো এৰি দিয়ে। সেই কাৰণে নিবনুৱাৰ সংখ্যাটো ইয়াৰ কেইবা গুনো বেচি।

( বেল বাজে )

সেই কাৰণে আমি এই নিবনুৱা সকলৰ এটা শুদ্ধ পিয়ল দাবী কৰো।

ভাৰতবৰ্ষৰ সংবিধানখন ১৯৫০ চনৰ ২৬ জানুৱাৰীত গৃহীত হৈছিল। সেই সংবিধান নিৰ্বাচিত লোক সভাত গ্ৰহণ কৰা হোৱা নাছিল। এখন মনোনীত পাৰ্লিয়ামেণ্টতহে গ্ৰহণ কৰা হৈছিল। এই সংবিধানৰ জৰীয়তে ভাৰতবৰ্ষৰ তথা অসমৰ নিবনুৱা সমস্যাৰ দায়িত্ব চৰকাৰী ভাবে লোৱা হোৱা নাই। আনকি মাটি সমস্যাৰো দায়িত্ব চৰকাৰী ভাৱে লোৱা হোৱা নাই। এই দায়িত্ববোৰ চৰকাৰী ভাৱে লব লাগে। সেই কাৰণে আমাৰ এই সংবিধানখনৰ আমূল পৰিবৰ্ত্তন কৰিব লাগে। সংবিধান কমিতি গঠন কৰিব লাগে। সংবিধান পুনৰ লিখিব লাগে। তাৰোপৰি ৰাজ্যপালৰ ভাষণত অসমৰ ৰাজধানীৰ কথা কোৱা নহ'ল।

অসমৰ ৰাজধানীৰ কথা শদিয়াৰ পৰা ধুবুৰীলৈকে যলৈকে যায় তাতে শুনা যায়। শিলংৰ পৰা ৰাজধানী উঠাই নি অসমৰ এখন সুচল ঠাইত প্ৰতিষ্ঠা কৰাত অকণো অপেক্ষা কৰাৰ দিন আৰু নাই। কিন্তু আজি সেই ৰাজধানীৰ কথা ৰাজ্যপালৰ ভাষণত নাই। এই সদনতে মুখ্যমন্ত্ৰীয়ে স্বীকাৰ কৰিছিল যে, অসমৰ ৰাজধানীৰ সিদ্ধান্তৰ কাৰণে আমাৰ লগতো আলোচনা কৰিব আৰু আমাকো বিশ্বাসত ৰাখিব। কিন্তু আমাক বিশ্বাসত নাৰাখিলে। কালি চৰকাৰী যন্ত্ৰ Radio ত প্ৰচাৰ কৰিছে যে, গুৱাহাটীলৈ ইতিমধ্যে বহুত অফিচ নিয়া হলেই গতিকে গুৱাহাটীতে অসমৰ ৰাজধানী হলে কোনেও বিৰোধীতা কৰিব নালাগে। আজি শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী মুখ্যমন্ত্ৰী হোৱাৰ কাৰণেই কামৰূপত ৰাজধানী হব বুলি কোনো কথা হব নোৱাৰে।

Shri Biswadev Sarma ( Minister, Industries )—ৰেডিঅ'ত কি ক'লে মই বুজি পোৱা নাই।

লাগে। এখন স্কুল বান্ধিবৰ বাবে কমেও ৫/৬ হেজাৰ টকা লাগে। গতিকে এই ভেন্‌চাৰ স্কুল বিলাকক চৰকাৰে যদি কিছু সাহায্য দিয়ে, তেন্তে আমাৰ ৰাইজৰ বৰ উপকাৰ হব। তাৰোপৰি আৰু কিছুমান ভিতৰুৱা ঠাইত স্কুল স্থাপন হৈছে য'ত পৰিদৰ্শন কৰাৰ কোনো সুবিধা নাই। গতিকে সেইবিলাক পৰিদৰ্শনৰ বাবেও সুবিধা কৰি দিব লাগে।

তাৰ পাছত ৰাজ্যপালে মাটিনীতিৰ বিষয়ে উল্লেখ কৰিছে। মাটি নীতিৰ ক্ষেত্ৰত বহুতো গণ্ডগোল হৈ আছে, সেইবিলাকো লাহে লাহে সমাধান কৰাৰ প্ৰচেষ্টা চলাই আছে। কিছুমান বিজাৰ্ভত যে দখলৰ কাম চলি আছে, তাত কিছুমান লোকে নিজে ১০০/২০০ বিঘা মাটি ৰাখি বে-দখলকাৰীৰ হতুৱাই খেতি কৰাইছে। গতিকে এইবিলাকৰ প্ৰতিও মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ আৰু গোটেই মাটি জৰীপ কৰি প্ৰকৃত মাটিহীন লোকক মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে, যি সকল প্ৰকৃত ভূমিহীন নহয় আৰু মাটি লবৰ উপযুক্ত লোক নহয় তেওঁলোকক উচ্ছেদ কৰিব লাগে। তাৰোপৰি যিসকলে Co-operative সমবায়ৰ যোগেদি খেতি কৰিবলৈ দৰ্খাস্ত দিছে তেওঁলোকক চৰকাৰে সাহায্য দি খেতি কৰাৰ ব্যৱস্থা কৰি দিব লাগে। উপাধ্যক্ষ মহোদয়, আপুনি জানে যে আমাৰ ৰাজ্যত সমবায় সমিতিৰ পৰা খেতি কৰিবৰ বাবে ঋণ দিয়াৰ ব্যৱস্থা আছে। এই বিলাক ব্যৱস্থা থাকিলেও খেতিয়ক সকলক সাহায্য দিয়াৰ ব্যৱস্থা কৰিব লাগে। সেই কাৰণে এই বিলাকৰ বাবে ভালদৰে Scheme কৰি যাতে খেতিয়ক ৰাইজ উপকৃত হয় তাৰ কাৰণে বিশেষ ব্যৱস্থা কৰি দিব লাগে।

পঞ্চায়তৰ B. D. O. ৰ যোগেদি হলেও খেতিয়কে ঋণ পোৱাৰ সহজ ব্যৱস্থা কৰিব পাৰিলে খেতিয়ক সকল উপকৃত হব। যোৱা কেইবছৰত হোৱা দুৰ্ঘটনা আদিৰ ক্ষেত্ৰত যথেষ্ট ভতপৰ হোৱা বাবে অৱস্থা যথেষ্ট শাম কাটিছে। গাৱেঁ ভূঁঞে হোৱা সৰু সুৰা চুৰি-ডকাইটি আদিও আগতকৈ বহু পৰিমাণে কমি গৈছে। চৰকাৰে বিবেচনা কৰি কিছুমান থানাত গাড়ী আদি দি ব্যৱস্থা উন্নত কৰাটো আৱশ্যক। তেতিয়াহলে আইন-শৃংখলাৰ ক্ষেত্ৰতো এটা শুদ্ধ বাতাবৰণৰ সৃষ্টি হব।

আজি বিজুলী সম্প্ৰসাৰণৰ কাৰণে গাওঁৰ মানুহৰ মন সলনি হৈছে। চহৰ বিলাকত কাম হৈছে যদিও গাওঁবিলাকত সম্পূৰ্ণ ৰকমে কাম হবলৈ বাকী আছে। বিশেষকৈ জন-জাতীয় অঞ্চল বিলাকলৈ অলপ চোকা নজৰ দিব লাগে।

(মূলৰ অনুপস্থিতিত মাননীয় সদস্য বহে)

উপাধ্যক্ষ মহোদয়, জন-জাতীয় অঞ্চল বিলাকত য'ত মানুহে নিজে কাপোৰ কানি তৈয়াৰ কৰি লয় তালৈ বিজুলী সম্প্ৰসাৰণৰ দ্ৰুত ব্যৱস্থা কৰিব লাগে। তেতিয়া হলে কুটীৰ শিল্পৰ উন্নতি হব ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীবিশ্বদেৱ শৰ্ম্মা— অঞ্চল বিলাকৰ নাম বিলাক দি দিব।

Shri Govinda Kalita—উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ সম্পূৰ্ণ অবাস্তৱ আৰু ৰাজ্যৰ প্ৰকৃত অৱস্থাৰ পৰিপন্থী। আজি বাস্তৱিকতে অসমৰ ৰাইজৰ অৱস্থা শোকলগা। আজি কংগ্ৰেছ চৰকাৰেই হওক বা কংগ্ৰেছ পাৰ্টিয়েই হওক গণতন্ত্ৰ আৰু সমাজবাদৰ ধ্বনি তুলি দুখীয়া আৰু ধনীৰ বৈষম্য দূৰ কৰিম বুলি কৈছে। কিন্তু বাস্তৱিকতে তাৰ বিপৰীতহে দেখিছোঁ। অৰ্থাৎ ধনী দুখীয়াৰ মাজত বেছি পাৰ্থক্যহে দেখা গৈছে। আজি আমাৰ ৰাজ্যৰ প্ৰধান সমস্যা হৈছে বেকাৰ সমস্যা। ভাৰতৰ ভিতৰতে আমাৰ ৰাজ্যত বেকাৰৰ সংখ্যা বেছি। ৰাজ্যপালৰ ভাষণত এই সমস্যা সমাধানৰ কোনো সুস্থিৰ নীতি বা আঁচনি দেখা পোৱা নাই। যদি কোনো নতুন শিল্প প্ৰতিষ্ঠান গঢ়ি নুঠে তেনেহলে বেকাৰ সমস্যা সমাধান কৰা অসম্ভৱ। গঢ়ি উঠিব লগা শিল্পানুষ্ঠান সমূহ কাগজে-কলমেহে আছে। মজলীয়া ধৰণৰ দুই এটা শিল্পানুষ্ঠান হৈছে যদিও তাতো থলুৱা লোকে চাকৰি পোৱা নাই। আৰু ঠিকমতে কামো চলা নাই। কেঁচা মালখিনি বোম্বাই বা কলিকতাত বিক্ৰী কৰে।

তাৰোপৰি যি কেইটা শিল্প আছে তাতো থলুৱা লোকে চাকৰি নোপোৱা বাবে বেকাৰ সমস্যা তীব্ৰতৰহে হৈছে। এই সমস্যা সমাধান কৰিব নোৱাৰিলে আমাৰ ৰাজ্যৰ উন্নতি নহয়। কিন্তু সমস্যা সমাধানৰ কোনো স্পষ্ট ইঙ্গিত ৰাজ্যপালৰ ভাষণত দেখা নাই। তেখেতে ডেকা

সকলক ধৈৰ্য্য ধৰিবলৈ কৈছে। কেৱল ধৈৰ্য্য ধৰিবলৈ কৈয়েই ক্ষান্ত থকা নাই ভয়ো দেখুৱাইছে; ৭ জন জমিদাৰক অত্যাচাৰ কৰাৰ সংক্ৰান্তত কেইজনমান নক্সালাইটক ধৰি জেলত সোমাই থৈ সমস্যা সমাধান কৰিব খুজিলে নহয়। ডেকা সকলেনো কিমান ধৈৰ্য্য ধৰিব। সিদিনা গুৱাহাটীত মোৰ ঘৰৰ সন্মুখতে থকা Employment Exchange ৰ লোক সকলে কৈছে যে আমাক মাৰপিট কৰিছে কিবা উপায় কৰি আমাক বচাওক। গোটেই পিঠিতে ঘা লাগি গৈছে। এনেকুৱাই হৈছে নিবনুৱা সকলৰ কাৰ্য্য। তেওঁলোকক কোনো Political Organisation এ উত্তেজিত কৰিব নালাগে। নিজে বুজি শুনি ধৈৰ্য্য ধৰি থাকিব নোৱাৰিয়েই এনে কাম কৰে। কিন্তু তেওঁলোকক নিয়োগ কৰাৰ কোনো ব্যৱস্থা ৰাজ্যপালৰ ভাষণত দেখিবলৈ পোৱা নাই।

তাৰ পিচত আন এটা কথা হৈছে যে অসম ৰাজ্যত যি ভূমি সংস্কাৰৰ কথা ৰাজ্যপালে উল্লেখ কৰিছে সেই বিষয়ে আমি বাস্তৱত যি দেখিছো, এই ভূমি সংস্কাৰ আইন পাছ হৈছে হয় কিন্তু এই আইনৰ কোনো কাৰ্য্যকৰী ব্যৱস্থা হোৱা নাই। তাৰোপৰি আইন সমূহ কাৰ্য্যকৰী নোহোৱাৰ বাবে কৃষি কাৰ্য যথোপযুক্ত হোৱা নাই। ফলত কৃষি উৎপাদন কমি গৈছে। যোৱা বছৰতকৈ এই বছৰ কৃষি উৎপাদন কমিছে। যোগান বিভাগলৈ চালে দেখা যাব তেখেত সকলে এই বছৰ যি ধৰণে ধান সংগ্ৰহ কৰিব বিচাৰিছিল তাৰ ১/৩ ভাগো সংগ্ৰহ কৰিব পৰা নাই। ইতিমধ্যে চাউলৰ দাম ১.৪০ ৰ পৰা ১.৭৫ পইচালৈ বজাৰত বিক্ৰী হৈছে। চাউলৰ নাটনি হোৱাত অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক চাউলৰ কাৰণে অনুৰোধ কৰিছে আৰু ৭০ হাজাৰ টন কেন্দ্ৰীয় চৰকাৰে দিম বুলি কৈছে। ১ বছৰ আগতে অসম চৰকাৰৰ ভড়ালত চাউল থোৱাৰ ঠাই নাছিল আৰু আজি আমাৰ চৰকাৰে অনুৰোধ কৰিছে যে চাউল দিয়া নহলে আমাৰ প্ৰাণ যাব। গতিকে দেখা যায় আমাৰ কৃষি উৎপাদন কমিছে আৰু ইয়াৰ কাৰণে দায়ী এই চৰকাৰ।

আমাৰ চিলিং আইন পাচ কৰা হ'ল যে মাত্ৰ ৭৫ বিঘাহে মাটি ৰাখিব পাৰিব। কিন্তু এই আইন আজিলৈকে কাৰ্য্যকৰী হোৱা নাই।

ইয়াৰ ফলত বেনামী ভাৱে মাটি বিলাক হস্তান্তৰ হৈছে। তাৰোপৰি এটা ডাঙৰ কথা হৈছে এইটো মই যোৱা বিধান সভাৰ অধিবেশনতো কৈছিলো। তেতিয়া চৰকাৰে প্ৰতিশ্ৰুতিও দিছিল চহৰৰ মাটি বিলাকৰ বাবে এখন চিলিং আইন আনিম বুলি। বৰ্ত্তমানৰ চিলিং আইন কেৱল গাওঁ অঞ্চলৰ বাবে গতিকে এই চিলং আইন চহৰত প্ৰযোজ্য নহয়। সংবিধান পৰিবৰ্ত্তন কৰি আইন আনিমেই আনিম বুলি এতিয়াৰ মুখ্যমন্ত্ৰীয়ে যোৱা অধিবেশনত আশ্বাস দিছিল। এতিয়া ৰাজ্যপালৰ ভাষণত দেখিছো ৪।৬ খন মান বিল আনিম বুলি লিষ্ট দিছে। কিন্তু চহৰ অঞ্চলত চিলিং আইন অনা সম্পৰ্কে কোনো বিলৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ নাই।

Shri Biswadev Sarma—Urban চিলিং আইন সম্পৰ্কে আশ্বাস দিছিল নেকি?

Shri Govinda Kalita—দিছিল।

তাৰ পিচত আমাৰ ৰাজ্যত আটাইতকৈ ডাঙৰ কথা হৈছে যে বস্তু-বাহনিৰ দাম দিনক দিনে বাঢ়ি গৈছে। আমাৰ ৰাজ্যত যদি বস্তুৰ দাম এখন Graph কৰা যায় তেনেহলে ৩″ ৰ পৰা ৬″ উঠিব। এই বস্তুৰ দাম কেনেকৈ বাঢ়িছে তাৰ এটা হিচাব দিছো। ১৯৭০ চনৰ ১৫ মাৰ্চ তাৰিখে মচুৰ দাইলৰ দাম আছিল ১৩০·০০ প্ৰতি কুইন্টলত। ১৯৭১ চনৰ ১৫ মাৰ্চ তাৰিখে ইয়াৰ দাম হৈছে ১৩৫·০০ টকা। মুগৰ দাইল ১৯৭০ চনৰ ১৫ মাৰ্চ তাৰিখত দাম আছিল ১৪৮·০০ টকা আৰু ১৯৭১ চনৰ আজিৰ তাৰিখে ইয়াৰ দাম ১৬৩·০০ টকা। মিঠাতেলৰ দাম ১৯৭০ চনৰ ১৫ মাৰ্চত আছিল ৭০·২৫ পইচা আৰু আজি '৭১ চনৰ ১৭ মাৰ্চ তাৰিখে ইয়াৰ দাম ৮২·০০ টকা। নিমখৰ দাম আছিল ১২ টকা আৰু আজি ১৬·০০ টকা প্ৰতি বস্তাত। নাৰিকল তেল ১৯৭০ চনৰ ১৭ মাৰ্চ তাৰিখে আছিল ৮২৫ টকা আৰু আজি ৮৭০ টকা। ৰহৰ দাইল ১৯৭০ চনৰ ১৫ মাৰ্চ তাৰিখে দাম আছিল ১৪৮·০০ আৰু আজি ১৬২·০০ টকা। চাউল দাম আছিল ১·২০ পইচা কিন্তু আজি ১·৪০ ৰ পৰা ১·৭৫ পইচালৈ বজাৰত বিক্ৰী হৈছে। কাপোৰৰ দাম অসম্ভৱ বাঢ়িছে। এবছৰৰ ভিতৰত ৩৭% বাঢ়িছে। ৰজাৰত সূতা পোৱা নাযায়।

এই বস্তু বিলাকৰ দাম বঢ়া কাৰণে সৰ্বসাধাৰণ ৰাইজৰ অৱস্থা কেনে হৈছে নিশ্চয় উপলব্ধি কৰিছে। ৰাজ্যপালেও তেখেতৰ ভাষণত বস্তুৰ দাম বঢ়া কথাটো উল্লেখ কৰিছে। ইয়াৰ কাৰণে কৰ্ম্মচাৰী সকলৰ মাজত দৰ্মহা কমিটি এটা বহুৱাব বুলি কৈছে। এই দৰ্মহা কমিটিৰ সভাপতি যাতে আমাৰ বিত্তমন্ত্ৰী নহয় তাৰ বাবে আগতিয়াকৈ কৈ থলো। কিয়নো এই মানুহজনে চাৰিওফালে চাব লাগিব। গতিকে তেওঁ নিৰপেক্ষ মানুহ হব লাগিব।

ৰাজ্যপাল মহোদয়, তেখেতৰ ভাষণত খেতিয়ক সকলক ঋণ দিয়া সম্পৰ্কে উল্লেখ কৰিছে। কিন্তু ঋণ দিয়াৰ যিটো পদ্ধতি এই পদ্ধতিৰে সাধাৰণ খেতিয়কে ঋণ লোৱা সম্ভৱ নহয়। তাৰোপৰি এই ঋণৰ সুদ বেছি। ইয়াত এটা কথা হৈছে কি ৰিজাৰ্ভ বেঙ্কে Apex Bank ক দিয়ে Apex য়ে Central Bank ক দিয়ে, Central বেঙ্কে আকৌ Service Society ক দিয়ে। এইদৰে বাগৰি আহোতে সুদ বেছি হৈ যায়। Reserve Bank ৰ সুদ ৪% , Apex Bank ৰ ৬%, Central বেঙ্কৰ ৮% আৰু চাৰ্ভিচ Society ৰ সুদ ১০%। এইদৰে গৰিবৰ ওপৰত পিচত সুদ বেছি হৈ যায়। গতিকে কম সুদত যাতে সাধাৰণ খেতিয়কে ধাৰ পায় তাৰ ব্যৱস্থা কৰিব লাগে।

তাৰ পাচত মই কব খুজিছো ঋণৰ হিচাবটো। এইটো হৈছে আমাৰ কেন্দ্ৰীয় বেঙ্কে ১৯৬৯-৭০ চনত যিটো কৃষি ঋণ দিলে সেইটো হৈছে এনে ধৰণৰ—শালি ৬০৭২ টকা, গোটেই কামৰূপৰ কাৰণে। ৰবিশষ্যৰ কাৰণে ২৬৯৭, আহুৰ কাৰণে ৯৩২, আৰু মৰাপাটৰ কাৰণে ৬০৫১ টকা।

( স্বৰ : Per Society নেকি )

এইটো Per Society নহয়, মই গোটেই হিচাপটোহে কৈছো। গতিকে কেন্দ্ৰীয় বেঙ্কৰ এই নিয়মাবলীৰ পৰা দেখা যায় আমাৰ গৰিব কৃষক সকলে ইয়াতকৈ আৰু বেচি ঋণ পোৱাৰ ব্যৱস্থা নাই। সেই কাৰণে এই বেঙ্কৰ টকা ধাৰে দিয়া নিয়মাবলী বিলাক ৰদলাব লাগিব। এই

নিয়মাবলী বিলাক সলনি কৰিলেহে দুখীয়া ৰাইজৰ সহায় হব।

( সময়ৰ সংকেত )

অৱশেষত মই বিৰোধী দলৰ পক্ষৰ পৰা যিটো প্ৰস্তাৱ আনিছে সেইটো মই সমৰ্থন কৰি ৰাজ্যপালৰ ভাষণ খন অন্তঃসাৰ শূন্য আৰু বাস্তৱ অৱস্থাৰ বিপৰীত বুলি বিবেচনা কৰি তাৰ প্ৰতিবাদ কৰিছো আৰু চৰকাৰক অনুৰোধ কৰো যেন চৰকাৰ এই বিষয়ত সচেটন হয় আৰু যাতে ঋণ ব্যৱস্থাৰ ক্ষেত্ৰত কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰে।

Shri Kandarpa Narayan Banikya—Mr. Deputy Speaker, Sir, district of Goalpara has been favoured with two industries (1) a Paper Mill at Jogighopa and (2) the Oil refinery-Petro-Chemical Complex at Bongaigaon. We are glad to say that justice has been done to the down-trodden people of Goalpara district. But by comparing the backwardness ( interruptions from the Opposition ) of the Goalpara district it is not enough. We are glad that the district of Cachar is going to get a Jute Mill. We the people of Goalpara also want Jute Mill in the public sector. With the stoppage of the river route to Calcutta via Pakistan the economic condition of Goalpara has become worse. So, in order to encourage the jute cultivators of Goalpara a Jute Mill should be installed in our district. The Industries Minister in the year 1967 assured that a Jute Mill will be started soon in the district of Goalpara. Sir, the major portion of the district of Goalpara came under the sway of the British in the year 1865 whereas the whole of Assam came under the British in the year 1832. (Voices from the opposition : new history, new history).

This is one of the causes why it is backward Sir, the district of Cachar is going to get one Sugar Mill also. We also want that the Government should start a Sugar Mill in the district of Goalpara. Regarding appointment, our Chief Minister assured that all the appointments to 3rd and 4th Grade in the paper mill at Jogighopa that will occur in the district will go to the unemployed youth of Goalpara. Sir, as the Head office, of the Paper Mill is still at Gauhati, appointments are not being given as assured, and it is apprehended ( interruptions from the Opposition ) ....

Mr. Deputy Speaker—Order, order. There should not be any running commentary. The hon. Member has a right to speak.

Mr. Hussain order please.

Shri Kandarpa Narayan Banikya—Sir, as has been declared by the hon. Chief Minister after the day of inauguration of the paper Mill at Jogighopa, all the third grade and second grade vacancies should be filled up with persons from Goalpara. ( Interruptions )

Mr. Deputy Speaker—Order, order. Unless he is given a chance to speak, how can you understand ?

Shri Kandarpa Narayan Banikya—Sir, an advertisement was made in the Assam Tribune inviting applications for certain posts in the Paper Mill, but the advertiser's name was not given, only the Post Box No. was mentioned. Now lots of unemployed youth from Goalpara district have applied, but we cannot say if their

cases would be considered and they would be given employment. I urge upon the Head Office of the Paper Mill should be shifted from Gauhati to Goalpara district at an early date.

Sir, the importance of my home town Abhayapuri is increasing day by day, but the communication between Abhayapuri and Goalpara is so bad that it beggar's description. So we urge upon the Government that a Sub-Division at Abhayapuri should be opened with delay. ( Interruptions )

Sir, there are three Medical College in Assam, but it is seen that students from Goalpara are getting difficulties in obtaining seats in them. I therefore request that a medical college should be started in the district of Goalpara as early as possible. (Interruptions).

Mr. Deputy Speaker—Order, Order, when a member is on his leg, he should not be disturbed.

Shri Kandarpa Narayan Banikya—Sir, every hon. Member has the right to speak here, and I am also a member representing the people. I wonder why there are such disturbances made by the hon. Members when I speak. When they speak, we do not interrupt them. ( Interruptions )

Mr. Deputy spekear—Order, order, there should not be personal aspersions on any hon. Member in this House.

Dr. Bhupen Hazarika—Sir, without any aspersion on the hon. Member, may I ask him why of all the jobs he has asked for second and third grade jobs for the

Goalparians ?

Shri Kandarpa Narayan Banikya—Sir, I am telling what had been declared by the Chief Minister at Bongaigaon after on the Mill. He declared that all the second and third grade jobs would go to the youths of Goalpara.

Shri Giasuddin Ahmed—Sir, it is not a fact.... ( Interruptions )

Mr. Deputy Speaker—You have a right to refute him afterwards.

Shri Giasuddin Ahmed—Sir, I want to have a clarification from the hon. Member. If I remeber a right, the Chief Minister did not say so. It is an incorrect statement. .... (Interruptions )

Shri Kandarpa Narayan Banikya—Sir, I do not like to speak, let them be satisfied. ....

শ্ৰীআক্ৰাম হুছেইন—গোৱালপাৰাৰ ল'ৰাক চাকৰি দিয়া হোৱা নাই, বিহাৰৰ পৰা ল'ৰা আনি চাকৰি দিয়া হৈছে। এইদৰে তেখেতে সদনক Mis-Represent কৰিছে। গোৱালপাৰা জিলাৰ ল'ৰাক জংগল কাটিবলৈ লগাইছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী—লেংটিচিঙা দলভৱ কি হ'ল ?

শ্ৰীহীৰালাল পাটোৱাৰী—গাই গৰুৰ লেংটিত ধৰিছেনে—বলধৰ লেংটিত ধৰিছে ?

শ্ৰীপিটসিং কোঁৱৰ—মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ পঢ়ি-শুনি এনেহে অনুমান হৈছে যেন তেখেতে নিজেই গৌৰৱ অনুভৱ কৰিছে যেন সীমান্তৱৰ্ত্তী ঘটনাবোৰ নিৰ্মূল কৰিছে, শান্তি ৰক্ষা কৰিছে, গৰু চুৰি বন্ধ কৰিব পাৰিছে। তেখেতে এনে ধৰণৰ কোনো কথাই কোৱা নাই যে, তেখেতৰ চৰকাৰৰ প্ৰশাসনীয় ব্যৱস্থা দিনে দিনে তললৈ গৈছে আৰু তেখেতৰ চৰকাৰৰ প্ৰশাসনীয় ব্যৱস্থা সক্ৰিয় নহৈ নিষ্ক্ৰিয়হে হৈছে। মই উদাহৰণ স্বৰূপে যোৱা মধ্যকালীন নিৰ্ব্বাচনৰ ভোটাৰ লিষ্টৰ কথাকে কওঁ ১৯৬৭ চনত যিবিলাক মানুহৰ নাম ভোটাৰ লিষ্টত আছিল আৰু এতিয়াও

জীয়াই আছে সেই সকলক ভোটাৰ লিষ্টত বৰ্ত্তমান মাৰি পেলালে। এনেহে চৰকাৰৰ প্ৰশাসনীয় যন্ত্ৰ যে, জীয়াই থকা মানুহকে মাৰি পেলাইছে। মানুহবিলাকৰ উপাধীয়েই বদলি কৰি পেলালে। প্ৰশাসনীয় ব্যৱস্থাৰ নিষ্ক্ৰিয় অৱস্থাৰ এইটোৱে প্ৰমাণ। বাইজৰ মাজত এখন হস্পিতাল হব লাগে তাৰ বাবে এটুকুৰা মাটি সমজি দিওতে ৯ মাহ সময় লাগে। হয়তো ইয়াত এটা ডাক্তৰ থানা হব সেই কথাটো নিৰ্দ্ধাৰণ কৰিবৰ বাবে Medical, Revenue আদি বিভাগৰ অফিচাৰ সকল তালৈ যাবলৈকে এবছৰ সময় লাগে। এইয়ে হ'ল প্ৰশাসনীয় ব্যৱস্থা। আমাৰ চৌধুৰী ডাঙৰীয়াৰ নেতৃত্বত ২৪ জনীয়া মন্ত্ৰীসভা গঠন হওঁতেও আমি বহুতো আশা কৰিছিলো। কিন্তু সেই আশাত কুঠাৰঘাত কৰিলে। এই ২৪ গৰাকী মন্ত্ৰীয়ে যতে ততে ঘূৰি বিশৃঙ্খলাৰ সৃষ্টি কৰিলে। দুগৰাকী মন্ত্ৰীৰ মালা-পিন্ধা এতিয়াও শেষ হোৱা নাই।

উপাধ্যক্ষ মহোদয়, মন কৰিলে দেখিব যে, আমাৰ ৰাজ্যপালৰ বিশেষ দায়িত্ব হৈছে, অনুসূচীত, জ-জাতি আৰু পিছপৰা সম্প্ৰদায়ৰ লোকসকলৰ স্বাৰ্থ সংৰক্ষণ কৰা। পঞ্চবাৰ্ষিকি পৰিকল্পনাত যিটো খতিয়'ন দিছে তাত এই সম্প্ৰদায় সকলৰ উন্নতিৰ কাৰণে সামান্য টকাহে দিছে। যদি এই-টোৱে হয় তেন্তে এই পিছপৰা সম্প্ৰদায়ৰ কেনেকৈ উন্নতি হব? তেওঁলোকৰ কৰিবলগীয়া কামৰ তুলনাত টকাৰ মাত্ৰা একেবাৰে কম। তেওঁলোকৰ কাৰণে Supplementary Grant ৰ জৰিয়তে যি টকা আগবঢ়োৱা হৈছে—সেই টকা কাটি এই মানুহবোৰক সা-সুবিধাৰ পৰা বঞ্চিত কৰিছে। ৰাজ্যপালে এই বিষয়টো চোৱা উচিত আছিল। আমাৰ খাদ্য বঢ়াবলৈ যি কাম হাতত লব লাগিছিল—সেইখিনি লোৱা নাই।

চৰকাৰে ব্ৰহ্মপুত্ৰ আয়োগৰ কথা দোহাই দি মান মনে বহি আছে, আঞ্চলিক পঞ্চায়তক দায়িত্ব দিছে আৰু District Agricultural Officer কিছুমান নিয়োগ কৰিছে অমুক অমুক কাম কৰিব লাগে কিন্তু জিলা কৃষি বিষয়া সকলে B. D. O. সকলৰ পৰা কোনো কাম নাপায়। গাওঁ অঞ্চল বিলাকত কৃষক সকলে নিজেই পৰিশ্ৰম কৰি যি বিলাক জান-জুৰি খান্দিছে কিন্তু সেইবিলাকৰ কোনো মাফ জোখ নাই আৰু কোনো

Plan and Estimation নাই । সেই বিলাক জান জুৰিব কাৰণে আঞ্চলিক পঞ্চায়তে ১৯৬৩ চনত Recommend কৰিছিল কিন্তু এতিয়ালৈ এটাও পইচা দিয়া নাই । তাৰ উপৰিও চৰকাৰে তেওঁলোকক যি ২০০/৩০০ টকাৰ অনুদান দিছে সেইবিলাকও Officer সকলৰ গুচৰলৈ আহোতে যাওতে খৰচ হৈ যায় । তাৰ পাচত উদ্যোগ, বিশেষকৈ বিজুলী শক্তি প্ৰয়োগ কৰি খেতি কৰা কথা কৈছে—কিন্তু মই জনাত মায়েঙৰ বাহিৰে অইন কোনো পথাৰলৈ বিজুলী শক্তি যোগান দি খেতি কৰা হোৱা নাই ; মায়েঙটো যি খেতি কৰা হৈছে তাতো যি খিনি tax দিব লগা হৈছে বাইজৰ বিশেষ উপকাৰত অহা নাই আৰু খেতিয়ো বিশেষ উন্নত হোৱা নাই । কেৱল আমি Radio ত ভাল ভাল মাতেৰে শুনিবলৈ পাইছো অমুক অমুক অঞ্চলত বিঘাই প্ৰতি ২৭/২৮ মোন ধান হৈছে কিন্তু বাস্তৱ ক্ষেত্ৰত খেতি একো হোৱা নাই । আজি গাওঁ অঞ্চলত কৰবাত ৫/৬ জন পৰিয়ালেহে খাবলৈ পাইছে বাকী ৯৫ জনেই খাবলৈ নাই । আজি মানুহে কি খাব ? বাও খেতি কৰিবলৈ হলে বানপানীয়ে মাৰি পেলায় আকৌ আহু খেতি কৰিবৰ কাৰণেও বৰষুণ নাই, পানী নোহোৱাত মাটিত নাঙলেই নোসোমায় । এই কথাটো কৃষি বিভাগৰ কৰ্মচাৰীয়ে বিশেষ ভাবে চোৱাটো উচিত আছিল ; আজি আমাৰ ডেকা সকলক এই বিলাক কামত নিয়োগ নকৰি কেৱল কাগজতেই খেতিৰ ৰচনা কৰিছে । ইয়াৰ দ্বাৰা আমাৰ সমস্যা সমাধান কেতিয়াও হব নোৱাৰে । চৰকাৰে যেন অনুগ্ৰহ কৰি অতি সোনকালে যি সকল খেতিয়কে অনুদানৰ কাৰণে ঋণ বিচাৰিছে সেইসকলক ঋণ দিয়াৰ ব্যৱস্থা কৰে আৰু ৰাইজে যি বিলাক নিজে জান-জুৰি খান্দি ৰাস্তা-পদূলী বান্ধি লৈছে সেই বিলাকৰো সু-ব্যৱস্থা কৰিব লাগে । তাৰ পাচত মঠাউৰী বন্ধাৰ ক্ষেত্ৰত আমাৰ মাননীয় সদস্য Shri Phani Bora ডাঙৰীয়াই কৈ গৈছে, আমাৰ Now-gong অঞ্চলৰ মৰিগাওঁ আৰু আন আন বহুতো অঞ্চলত বানপানী হৈ থকাৰ ফলত খেতিৰ অজস্ৰ ক্ষতি হৈ থাকে ; মে' মাহৰ পৰাই বানপানী আহিব গতিকেই সেই মানুহ বিলাকে কোনো ধৰণৰ খেতিয়েই নাপাব, বাও ধানো নাপাব, আহু খেতিয়ো নাপালে । গতিকে এই মানুহ বিলাকে

এতিয়া খেতি কৰিব পৰা মাটি বিচাৰি আগৰ ঠাইবোৰ এৰি অইন ঠাই বিচাৰি যাবলৈ ধৰিছে আৰু তাত বেদখল কৰি মাটি লবলৈ বাধ্য হব। সেই মানুহবিলাকক ৰখাব একমাত্র উপায় হ'ল ব্রহ্মপুত্রৰ মঠাউৰিৰ বাকী থকা ১৪ কিলো মিটাৰ দূৰত্বৰ এই বৃহৎ মঠাউৰিটো নিৰ্মান কৰা। মই জনাত আমাৰ Nowgong ৰে M. L. A. Hazarika ডাঙৰীয়া নিজেই ব্রহ্মপুত্র কমিশ্যনৰ এজন মেম্বাৰ। তেখেতে নিজেই কেন্দ্রৰ লগত লাগি-মেলি টকা অনাৰ ব্যৱস্থা কৰিব লাগে। অৱশ্যে এই বাৰ Indira Gandhi ক্ষমতাত অধিষ্ঠিত যেতিয়া আমাৰ মুখ্যমন্ত্রী Shri Choudhury য়ে খুজি মেলি হলেও এই সম্পৰ্কত কিছু টকা পইচা আনিব পাৰিব।

তাৰ পাচত আমাৰ ৰাজহ বিভাগৰ কথা কওঁ; আমাৰ মুখ্যমন্ত্রীয়ে ৰাজহ বিভাগৰ বিষয়ে বিশেষ চকু দিব নোৱাৰে কাৰণ মুখ্যমন্ত্রী হিচাপে তেখেতে বহুত কামত চকু দিব লাগে, গতিকে আমাৰ ডেকা শৰ্ম্মা ডাঙৰীয়াক ৰাজহ বিভাগৰ দায়িত্ব দিছে কিন্তু ১ মাহ মানৰ পিছতহে জানিব পাৰিম তেখেতে কি দৰে কামত আগবাঢ়িব। যি সকলক ভূমি পট্টন দিয়া হৈছিল সেই সকলক এতিয়ালৈকে দখলেই দিয়া হোৱা নাই।

(সময়ৰ সংকেত)

মাটি পট্টন দিয়া List ত যি সকলৰ নাম আছে সেই সকলক পট্টন দিব পৰা নাই কিন্তু যি সকলে বেদখল কৰি আছে সেই সকলে কিন্তু দখল লৈ আছে, এই বেদখলৰ কাৰণে দেশৰ শান্তি শৃঙ্খলা ভঙ্গ হৈ আছে। মন্ত্রী মহোদয়ক এই সংক্রান্তত বিশেষ মনোযোগ দিবৰ কাৰণে অনুৰোধ কৰিলো আৰু এই বিষয়ত আগবাঢ়ি যাব বুলি আশা ৰাখিলো।

ইয়াৰ পিছত আমাৰ ডেকা সকলে নিয়োগৰ ক্ষেত্রত বিশেষ সুবিধা পোৱা নাই। কিন্তু আমাৰ পুলিচ বিভাগে কিছুমান নতুন Battalion খুলিব বুলি জানিছো কিন্তু সেই Battalion ত ভৰ্ত্তি হবৰ কাৰণে D.I.G.P. চাহাবে তাৰিখ দিছিল কিন্তু ডেকা সকলে বাৰে বাৰে চাকৰি বিচাৰি আহি ফিৰি যাবলগীয়া হৈছে কাৰণ ভৰ্ত্তিৰ তাৰিখ প্ৰত্যেক বাৰেই Change কৰি আছে যাৰ ফলত আমাৰ ডেকা সকলে চাকৰি বিচাৰি আহি জোৰ জুলুম হবলগীয়া হৈছে আৰু অথবা তেওঁলোকৰ খৰচ পাতি হৈছে। গতিকে যি সকলক প্ৰকৃততে চাকৰি দিব বিচাৰিছে

তেওঁলোকক মাতি আনি এটা নিৰ্দ্দিষ্ট তাৰিখ দি ভৰ্ত্তি কৰাব লাগে। মই আৰু বিশেষ একো কব নোখোজো কাৰণ আমাৰ ৰাজ্যপালৰ ভাষণত চৰকাৰৰ কাৰ্য্যপৰিচালনাকেই সমৰ্থন কৰিছে। গতিকে মই বিৰোধী পক্ষৰ পৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা প্ৰস্তাৱটো সমৰ্থন কৰি সামৰণি মাৰিলো।

শ্ৰী এ. এন. আক্ৰাম হুছেইন—উপাধ্যক্ষ মহোদয়, মই আজি নকও। গাটো বৰ অসুষ্ঠ।

শ্ৰীশৰৎ চন্দ্ৰ ৰাভা—মাননীয় উপধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত শতকৰা ৭২ জন কৃষকৰ ভূমি সমস্যা সমাধান কৰাৰ কথা কৈছে আৰু কৃষি উন্নতিৰ যি ব্যৱস্থা কৰা হৈছে এই ব্যৱস্থা খিনি ক'ত কি ধৰণে কি কৰা হব তাৰ কোনো আঁচনিকেই আমি দেখা পোৱা নাই। ইয়াৰ আগতে ১৯৬৮ চনত কৈছিল যে, গোৱালপাৰা জিলাত জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে। ৰংৰঙা, হাত্ৰী, কৰনৈ, খেকেৰেং আদি নৈত জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে, কিন্তু সেই ব্যৱস্থা চৰকাৰৰ ফালৰ পৰা কৰিলে সঁচা কিন্তু তাৰ দ্বাৰা ৰাইজৰ উপকাৰ নহল বৰং ক্ষতিহে হৈছে। আনহাতে এই ধৰণেই লাখ লাখ টকা খৰচ কৰি চৰকাৰী ধনৰ অপব্যয় হৈছে। কিন্তু আজি-লৈকে তাৰ কোনো প্ৰতিকাৰ নহ'ল। শতকৰা ৭২ জন কৃষকৰ উন্নয়নৰ যিটো ব্যৱস্থাৰ কথা ৰাজ্যপালৰ ভাষণত কোৱা হৈছে সেইটো সঠিক নহয়। ইয়াৰ দ্বাৰা কিছুমান খেতিয়কক সুবিধা দিয়াৰ বাহিৰে আন একোৱেই নহয়। সেই ফালৰ পৰা আজি ৰাইজে জলসিঞ্চনৰ ওপৰত নিৰ্ভৰ কৰিব পৰা নাই। কৃষ্ণাই নৈত Power Pump ৰ দ্বাৰা যি জলসিঞ্চনৰ বাৱস্থা কৰিলে তাত য'ত কৰাৰ কথা আছিল তাত কৰা নহ'ল। য'ত কৰিব বুলি ক্ষতি পূৰণ দি মাটি অধিগ্ৰহণ কৰা হ'ল তাত কৰা নহ'ল। ফলত সেই অঞ্চলৰ ৰাইজৰ হাহাকাৰৰ সৃষ্টি হ'ল। ক্ষতিপূৰণ দিয়া মাটিত জলসিঞ্চনৰ ব্যৱস্থা নকৰি কোনো Notice নিদিয়াকৈ অন্য মাটিত জলসিঞ্চন কৰি দূৰ্নীতি কৰিছে। দ্বিতীয়তে গোৱালপাৰা জিলাৰ জলসিঞ্চন মহকুমাৰ সদৰ বিভাগৰ Head Quarter গুৱাহাটীত। ইয়াৰ ফলত দূৰ্নীতি কৰাৰ সুযোগ যথেষ্ঠ বৃদ্ধি হৈছে। ইয়াৰ ফলত

স্থানীয় মানুহে ইয়াৰ সুযোগ সুবিধা পোৱা নাই। তাৰোপৰি যি উদবৃত্ত মাটি ভূমিহীন খেতিয়কক দিয়াৰ কথা কৈছে সেই ক্ষেত্ৰত এই উদবৃত্ত মাটি ক'ত পোৱা হ'ল তাৰ কোনো উল্লেখেই নাই। আজি চিলিং আইনৰ দ্বাৰা মাটিহীন কৃষকে মাটি পাব লাগিছিল কিন্তু খেতিয়কে সেই ধৰণে মাটি পোৱা নাই। এতিয়াও খেতিয়ক সকলে মালিক বা জমিদাৰৰ আধি খাই থাকিব লগা হৈছে। এই বিষয়ত চৰকাৰে বিশেষ ব্যৱস্থা লব পৰা নাই। আইন পাছ কৰিছে সঁচা কিন্তু সেই আইন কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত চৰকাৰ ব্যৰ্থ হৈছে। আজি ভূমি সংস্কাৰৰ নামত দূৰ্নীতি কৰা হৈছে। মাটি অধিগ্ৰহণৰ যি ক্ষতিপূৰণ দিয়া হয় তাৰ ফলত আচল মালিকৰ কোনো ক্ষতি নহয় কাৰণ তেওঁ মাটি নিজে পৰিচালনা কৰিব নালাগে, টকাৰ ক্ষতিপূৰণলৈ তাৰ দ্বাৰা বৰং খেতিয়ক সকলকহে শোষণ কৰাৰ সুযোগ হয়। ইয়াৰ ফলত ভূমিসংস্কাৰৰ উদ্দেশ্যই সফল হোৱা নাই। আজি যেনেকৈ মাটিৰ সৰ্ব্বোচ্চ পৰিমাণ নিৰ্দ্ধাৰণ কৰা হৈছে ঠিক সেই ধৰণেৰেই চহৰ অঞ্চলত থকা শিল্প আদিৰ ক্ষেত্ৰতো তেনেকুৱা ব্যৱস্থা দেখিবলৈ পোৱা নাই। আজি টকাৰ ক্ষেত্ৰতো সৰ্ব্বোচ্চ সীমা নিৰ্দ্ধাৰণ কৰিব লাগে। আজি এই ধৰণৰ ব্যৱস্থা নথকাৰ ফলতে মজুতকাৰী সকলে সুবিধা পাইছে। আজি খাদ্য সমস্যা সমাধানৰ কাৰণে বিশেষ ব্যৱস্থা নথকাৰ কাৰণে বহুতো চাউল আজি Truck এ Truck এ পাকিস্তানলৈ যাব পাৰিছে। আজি চৰকাৰে এই বিলাক দেখিও নেদেখা হয়। সেই ফালৰ পৰা আজি কিছুমান লাভখোৰ মালিকক সুবিধা দিয়া হৈছে। প্ৰকৃত খাদ্য সমস্যা সমাধানৰ ক্ষেত্ৰত কোনো ব্যৱস্থাই দেখা পোৱা নাই।

আজি জনজাতীয় লোক সকলৰ কাৰণে যিবিলাক সুবিধাৰ কথা ৰাজ্যপালৰ ভাষণত কৈছে সেইখিনি কাৰ্য্য ক্ষেত্ৰত একোৱেই হোৱা নাই। মাত্ৰ এই বিলাক কাগজতহে আছে। উদাহৰণ স্বৰূপে ১৯৬৯ চনত Article ২৭৫ মতে জনজাতীৰ উন্নয়নৰ কাৰণে যি ৰাস্তা নিৰ্ম্মাণৰ কথা উল্লেখ কৰিছিল সেই ৰাস্তা আজিও হৈ উঠা দেখা নাই। যেতিয়া এই বিষয়ে তাগিদা দিয়া হয় তেতিয়া Chief Engineer ৰ আফিচত কয় যে Estimate আদি অহা নাই। আৰু Executive Engineer ৰ অফিচত কয় যে

ওপৰৰ পৰা Administrative Approval অহা নাই। এনেধৰণেৰেই কোনো কামেই হৈ নুঠে।

সেই ফালৰ পৰা আজি এই বিলাক সম্পৰ্কে চৰকাৰে জনা স্বত্তেও নজনাৰ ভাও ধৰি চৰকাৰে সেই বিলাকৰ প্ৰতি অৱহেলা কৰি আহিছে আৰু জনজাতি লোকৰ প্ৰতি যে অৱমাননা কৰি আহিছে সেইটো প্ৰমানিত হৈছে।

ইয়াৰ পাছত যিটো শিক্ষা ব্যৱস্থাৰ কথা কৈছে সেই সম্পৰ্কে বহুতো মাননীয় সদস্যই উল্লেখ কৰি গৈছে। আমাৰ গোৱালপাৰাতে যি ৫০ খন ভেন্‌চাৰ স্কুল আছে সেই বিলাক এতিয়াও চৰকাৰে লোৱা হোৱা নাই আৰু সেই বিলাকৰ মঞ্জুৰীও ৰাজ্য চৰকাৰৰ ফালৰ পৰা হোৱা উচিত। তেতিয়াহলে তাত সেই অঞ্চলৰ বাইজে ভালদৰে স্কুল বিলাক চলায় নিযাত সুবিধা হয়, যিটো মহকুমাত ৫০ খন ভেন্‌চাৰ এল. পি. স্কুল আছে তাত ৫/৬ খনে মঞ্জুৰী পালে, গোটেই ৫০ খন ভেন্‌চাৰ এল. পি. মঞ্জুৰী হবলৈ ১০ বছৰ লাগিব। আনপিনে বছৰ পাৰ হোৱাৰ লগে লগে আৰু ভেন্‌চাৰ স্কুলৰ সংখ্যা ক্ৰমে বাঢ়ি যাব। কিছুমান ৰাইজে আজি ১০।১৫ বছৰ ধৰি ভেন্‌চাৰ এল. পি. স্কুলবোৰ বষ্ট কৰি ৰাইজেই চলাই আহিছে গতিকে সেই বিলাকলৈ চৰকাৰৰ দৃষ্টি গোচৰ হোৱাটো বাঞ্চনীয়। যদি এনেকুৱাই অৱস্থা হয়, তেন্তে শিক্ষা বিষয়ত ভিতৰুৱা গাওঁ বিলাকে কেনেকৈ শিক্ষাৰ পোহৰ পাব বা শিক্ষা আহৰণ কৰিব পাৰিব।

তাৰোপৰি কিছুমান স্কুলত ছাত্ৰৰ সংখ্যা চাই শিক্ষক বৃদ্ধি কৰাৰ ব্যৱস্থা কৰিব লাগে। য'ত ৭৫ জন ১০০ জন ছাত্ৰ সংখ্যা আছে, তাত এজন শিক্ষকে কাম চলাই থকাটো সম্ভব নহয়। তাত আৰু সহকাৰী শিক্ষক নিযুক্তি বৃদ্ধি কৰিব লাগে। এই বিলাক কাৰ্য্য চৰকাৰে সময়ৰ লগে লগে নকৰাৰ কাৰণে কিছুমান গাওঁত আকৌ নতুনকৈ এখন স্কুল স্থাপন কৰিবলৈ বাধ্য হৈ পৰিছে।

স্কুল মঞ্জুৰী দিয়াৰ ক্ষেত্ৰত চৰকাৰে যিখিনি কাম কৰিব লাগিছিল সেই খিনি ভাল দৰে কৰা হোৱা নাই। গতিকে শিক্ষাৰ উন্নতি হব কেনেকৈ? আমাৰ ৰাজ্যপালে শিক্ষা সম্বন্ধে যি কথা ইয়াত দাঙি ধৰিছে সেই খিনি একেবাৰে ভিত্তিহীন। সেই কাৰণে আজি জনসাধাৰণে শিক্ষাৰ

উন্নতি আশা কৰিব পৰা নাই। আৰু এটা কথা যে আমাৰ গোৱাল-পাৰাৰ একেবাৰে দক্ষিণ পাৰৰ ফালে অৰ্থাৎ ধুপধৰাৰ পৰা মান-কাছাৰলৈকে প্ৰায় ১৪০/১৫০ মাইল জুৰি মাত্ৰ এখন কলেজ আছে। তেনে অৱস্থাত সেই অঞ্চলত থকা বাইজৰ ল'ৰা-ছোৱালীয়ে কলেজীয়া শিক্ষা পাব কেনেকৈ ? গতিকে এই সম্পৰ্কে মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিলো। সেই কাৰণে আমাৰ ৰাজ্যপালে যিটো ভাষণ সদনত দিলে সেই ভাষণটো মই সমৰ্থন কৰিব নোৱাৰিলো। যিহেতু ৰাজ্যপালৰ ভাষণত বহুতো খুঁট হৈ আছে।

শেষত মই আৰু এটা কথা কব বিচাৰিছোঁ—ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিছে যে Naxalite সম্পৰ্কত ৪৩২ জনক আটক কৰা হৈছে। এই ক্ষেত্ৰত মই জানো যে নক্সালবাদী বুলি সন্দেহ কৰি কিছুমান নিৰ্দ্দোষী লোকক গ্ৰেপ্তাৰ কৰিছে আৰু তেওঁলোকৰ মোকৰ্দ্দমাত কোনো প্ৰমাণ নোপোৱাত আজিও শেষ হোৱা নাই আৰু তেওঁলোকে বাৰম্বাৰ Court লৈ কষ্ট ভোগ কৰি আহি থাকিবলগীয়া হৈছে।

আৰু এটা কথা মই কওঁ যে বালাজান High Madrassa স্কুলৰ এজন ছাত্ৰ—তেওঁৰ নাম "আজিজোৰ ৰহমান"। এটা মোকৰ্দ্দমাৰ সংক্ৰান্তত S. P. এজন তালৈ গৈছিল আৰু তাত বাইজৰ পৰা ঘোচ খাব বিচাৰিছিল; তেতিয়া সেই ছাত্ৰজনে বিৰোধীতা কৰিছিল আৰু তাৰ বাবে S. P. য়ে নক্সালবাদী বুলি ল'ৰাজনক গ্ৰেপ্তাৰ কৰিছে। এই বিলাক ক্ষেত্ৰত বহুতো বাইজে প্ৰতিবাদও কৰিছে; কিন্তু চৰকাৰে বিচাৰ মিমাংসা নকৰি পলম কৰি থকাটো ভাল হোৱা নাই, অন্যায় কৰা হৈছে। কোনোবা এজন Naxalite থাকিব পাৰে, সেই বিলাকক ধৰি শাস্তি দিয়াত মই একমত। কিন্তু কোনো কাগজ-পত্ৰ বা প্ৰমাণ নোপোৱাকৈ, কৃষ্ণাইতো যি ৩ জনক গ্ৰেপ্তাৰ কৰা হৈছে, তেওঁলোকৰো কোনো কাগজ বা প্ৰমাণ পোৱা নাই, অথচ তেওঁলোকৰো গ্ৰেপ্তাৰ কৰি আজিলৈকে কেচ চিণ্ডা নাই বা খালাচ দিয়া নাই। এতিয়া সেই মানুহ বিলাকে এনেয়ে কষ্ট ভোগ কৰি থাকিবলগীয়া হৈছে। গতিকে এই বিলাক ক্ষেত্ৰত মনযোগেৰে বিবেচনা কৰি চাব বুলি কৈ মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

Mr. Deputy Speaker— There is hardly 4 minutes left and as there is no other hon. Members listed as willing to speak today, the House is adjourned till 10 A.M. tomorrow, the 16th of March, 1971.

## Adjournment

The Assembly then Adjourned till 10 A.M. on Tuesday, 16th March, 1971.

U. Tahbildar,
Secretary
Legislative Assembly, Assam.

Shillong,
The 15th March, 1971